# Course 506

# বিশেষ চাহিদাযুক্ত শিশুৰ ধাৰণা

ব্লক - 3

গোট - 8

টোকা

## গোট - ৪ ঃ বিশেষ চাহিদাযুক্ত শিশুৰ ধাৰণা

# গাঁথনি

8.0 প্ৰস্তাৱনা

8.1 শিকন উদ্দেশ্যাৱলী

8.2 বিশেষ চাহিদাযুক্ত শিশু সম্পৰ্কীয় বোধ

- 8.2.1 সংজ্ঞানাত্মক অক্ষমতা
- 8.2.2 শ্ৰৱণ আৰু বাক বিকলতা
- 8.2.3 বাক সংক্ৰান্ত বিকলতা
- 8.2.4 দৃষ্টি সংক্ৰান্ত বিকলতা
- 8.2.5 সঞ্চালনামূলক বিকলতা
- 8.2.6 বহু বিকলতা
- 8.2.7 শিকন অক্ষমতা
- 8.2.8 আবেগিক আৰু আচৰণজনিত ব্যাধিগ্ৰস্ততা বা বিসংগতি
- 8.2.9 শিশুৰ ধাৰণা

8.3 আগতীয়া চিনাক্তকৰণ, মূল্যায়ন আৰু হস্তক্ষেপকৰণ

- 8.3.1 বিসংগতি/ব্যাধিগ্ৰস্ততাৰ চিনাক্তকৰণ।
- 8.3.2 মূল্যায়ন
- 8.3.3 আগতীয়া হস্তক্ষেপকৰণ/প্ৰতিকাৰৰ ব্যৱস্থা গ্ৰহণ

8.4. অক্ষমতা সংক্ৰান্ত আইন আৰু নীতিসমূহ

- 8.4.1 অক্ষমতা যুক্ত ব্যক্তি সম্পৰ্কীয় সন্মিলন
- 8.4.2 অক্ষমতাযুক্ত ব্যক্তি আইন, ১৯৯৪
- 8.4.3 অক্ষমতাযুক্ত ব্যক্তিৰ অধিকাৰ বিল, ২০১১

8.5. সংক্ষেপে জানি থওঁ আহক

8.6 অগ্ৰগতিৰ পৰীক্ষণৰ উত্তৰসমূহ

8.7 অধ্যয়নৰ বাবে অনুমোদিত গ্ৰন্থ আৰু প্ৰসংগপুথি

8.8 গোটৰ অন্তৰ অনুশীলন



টোকা

## 8.0 প্ৰস্তাৱনা ঃ

আগৰ গোটটোত আমি বিশেষ চাহিদাযুক্ত শিশুনো কোনবিলাক সেই কথা কিছু জানিব পাৰিছোঁ। এই গোটত আমি এই বিষয়ে কিছু বিতংভাৱে আলোচনা কৰিম। যিসকল শিশুৰ ক্ষেত্ৰত সাধাৰণ শিশুসকলৰ ক্ষেত্ৰত প্ৰয়োজন নোহোৱা বিশেষ মনোযোগ প্ৰদানৰ প্ৰয়োজন হয় সেই শিশুসকলকেই বিশেষ চাহিদাযুক্ত শিশু বুলি কোৱা হয়। প্ৰতিটো শ্ৰেণীতেই ভিন ভিন ক্ষমতা আৰু সামৰ্থযুক্ত শিশু থকা দেখিবলৈ পোৱা যায়। শ্ৰেণীকক্ষত পৰিলক্ষিত হোৱা এই বৈষম্যসমূহৰ চিনাক্ত কৰণ শিশুৰ শিক্ষাৰ ক্ষেত্ৰত বিশেষ গুৰুত্বপূৰ্ণ। আমাৰ স্কুলীয়া বা কলেজীয়া জীৱনত ছাত্ৰ হিচাবে আমাৰ প্ৰত্যেকৰে কিছুমান বিশেষ চাহিদাৰ অভিজ্ঞতা আছে।

বিশেষ চাহিদা হৈছে কোনো এটা বিশেষ ধাৰণাৰ বোধ লাভৰ ক্ষেত্ৰত বা কোনো এটা কাৰ্য সম্পাদনৰ ক্ষেত্ৰত প্ৰয়োজন হোৱা অতিৰিক্ত সহায় সহযোগৰ প্ৰয়োজনীয়তাক বুজায়। কোনো ব্যক্তিয়েই সম্পূৰ্ণ ৰূপত পৰিপূৰ্ণ হ'ব নোৱাৰে। ব্যক্তিৰ সামাজিক, বৌদ্ধিক, ইন্দ্ৰিয় সংক্ৰান্ত, সঞ্চালন সম্পৰ্কীয় সমস্যা বা দীৰ্ঘদিনীয়া ৰোগ ব্যাধি ইত্যাদি দিশবোৰে শিশুৰ শিকনৰ ক্ষেত্ৰত সমস্যাৰ সৃষ্টি কৰিব পাৰে। এই গোটোত বিশেষ চাহিদাযুক্ত শিশুৰ অৰ্থ, বিশেষ চাহিদাৰ কাৰণ, এই শিশুসকলক আগতীয়াকৈ হস্তক্ষেপকৰণ আৰু চিনাক্তকৰণ আৰু এই সম্পৰ্কীয় আইন আৰু নীতিসমূহৰ বিষয়ে আলোচনা কৰা হ'ব।

## 8.1 শিকনৰ উদ্দেশ্যাৱলী ঃ

এই গোটটো অধ্যয়নৰ কৰাৰ পিছত আপুনি সক্ষম হ'ব ঃ

- বিশেষ চাহিদাযুক্ত শিশুৰ অৰ্থ ব্যাখ্যা কৰিবলৈ
- বিভিন্ন প্ৰকাৰৰ অক্ষমতাসমূহ (যেনে- সংজ্ঞানাত্মক অক্ষমতা, শ্ৰৱণ সম্পৰ্কীয় বিকলতা সঞ্চালনমূলক আৰু বাক সম্পৰ্কীয় বিকলতা, শিকন জনিত অসুবিধা আৰু বহু বিষয়ক অক্ষমতা) চিনাক্ত কৰিব পাৰিব।
- প্ৰত্যেক দিশৰ অক্ষমতাৰ আগতীয়া চিনাক্তকৰণ, হস্তক্ষেপকৰণ আৰু মূল্যায়নৰ প্ৰয়োজনীয়তা বিচাৰ কৰিব পাৰিব।
- বিশেষ চাহিদাযুক্ত শিশুৰ বিভিন্ন সমস্যাসমূহ চিনাক্তকৰণ আৰু সমাধানত শিক্ষকৰ ভূমিকা নিৰ্ধাৰণ কৰিব পাৰিব।
- প্ৰত্যেক শ্ৰেণীৰ অক্ষমতাযুক্ত শিশুৰ শিকনৰ প্ৰয়োজনীয়তা সম্পৰ্কে পৰামৰ্শ আগবঢ়াব পাৰিব।
- PWD Act 1995, UNCRPD ৰ মূল দিশবোৰৰ ওপৰত আলোকপাত কৰিব পাৰিব।

টোকা



- বিশেষ চাহিদাযুক্ত শিশুসকলৰ ক্ষেত্ৰত কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰৰ ভূমিকা ব্যাখ্যা কৰিব পাৰিব।

## 8.2 বিশেষ চাহিদাযুক্ত শিশুসকলৰ অৰ্থ ঃ

সৰু ল'ৰা-ছোৱালীৰ পিতৃ-মাতৃসকলে সততে সোধা এটা প্ৰশ্ন হৈছে মোৰ শিশুটি বিশেষ চাহিদাযুক্ত নেকি? এই প্ৰশ্নৰ পৰৱৰ্তী পৰ্যায়ত সোধা প্ৰশ্নটো হৈছে — শিশুটিৰ বিশেষ চাহিদা কি? এটি ১৪ মহীয়া শিশুৱে অন্যান্য শিশুসকলৰ দৰে খোজকাঢ়িব নোৱাৰে। এই ক্ষেত্ৰত শিশুটিক বিশেষ চাহিদাযুক্ত বুলি ক'ব পাৰি নেকি? আন এজন শিশুৱে টেলিভিচনত কোৱা বা আনে কোৱা প্ৰতিটো কথা পুনৰাবৃত্তি কৰে। এইটো এটা বিশেষ চাহিদাযুক্ত শিশু নেকি? যদি এজন শিশুৰ ক্ষেত্ৰত একাধিক বিশেষ চাহিদা দেখা পোৱা যায়, তেন্তে তেওঁলোকৰ পৰিয়ালে এই ক্ষেত্ৰত কাৰ পৰা সেৱা আৰু সাহায্য লাভ কৰিব?

এই ক্ষেত্ৰত চিন্তিত পিতৃ-মাতৃসকলে সাহায্য বিচাৰি প্ৰথমে শিক্ষকসকলৰেই ওচৰ চাপিব। সেয়েহে শিক্ষকসকলৰ প্ৰথমে এই বিশেষ চাহিদাযুক্ত শিশুসকলৰ বিষয়ে এক স্পষ্ট ধাৰণা থকা প্ৰয়োজন। কোনো বিশেষ শাৰীৰিক আৰু আবেগিক সমস্যাক কেন্দ্ৰ কৰি অন্যান্য সাধাৰণ শিশুৰ পৰা পৃথকভাৱে বিশেষ মনোযোগৰ প্ৰয়োজন হোৱা শিশুসকলক বিশেষ চাহিদাযুক্ত শিশু বুলি কোৱা হয়।

তেওঁলোকৰ বিকাশৰ গতি লেহেমীয়া আৰু কিছুমান কাম তেওঁলোকে কৰিব নোৱাৰে। তেওঁলোকে নিজে আহাৰ খাব নোৱাৰে। অথবা দৈনন্দিন কামবোৰ তেওঁলোকে আনৰ সহায় নোহোৱাকৈ কৰিব নোৱাৰে।

'বিশেষ চাহিদা' বিষয়টো বিভিন্নভাৱে সংজ্ঞাবদ্ধ কৰিব পাৰি। সাধাৰণ শিকন অক্ষমতাৰ পৰা আৰম্ভ কৰি বিশেষ সংজ্ঞানাত্মক অক্ষমতা (মানসিক বাধাগ্ৰস্ততা), অসুস্থতা, খাদ্যৰ এলাৰ্জী বা বিকাশমূলক বিলম্বন ইত্যাদি অনেক দিশ এই 'বিশেষ চাহিদা'ৰ ধাৰণাৰ লগত সম্পৰ্কযুক্ত। যেতিয়া এটি শিশু সাধাৰণ শিশুতকৈ পৃথকভাৱে সহায়ৰ প্ৰয়োজন হয় তেতিয়া তেওঁলোক প্ৰয়োজনীয়তা আৰু লক্ষ্য সমূহো আন শিশুসকলতকৈ পৃথক হয়।

**অক্ষমতাৰ সংজ্ঞা ঃ** WHOৰ মতে এই ক্ষেত্ৰত ব্যৱহাৰ হোৱা অক্ষমতা শব্দটোৰ বিকল্প হিচাবে অসুবিধা বা সমস্যা শব্দটোহে ব্যৱহাৰ কৰিব লাগে, যেনে - দৃষ্টি সংক্ৰান্ত সমস্যা, শ্ৰৱণ সমস্যা, কথন বা যোগাযোগৰ সমস্যা, চলাফুৰাৰ সমস্যা, শিকন সমস্যা ইত্যাদি। এই বিশেষ চাহিদাযুক্ত শিশুসকলৰ বিষয়ে এটি স্পষ্ট ধাৰণা লাভ কৰাৰ ক্ষেত্ৰত এই শিশুসকলৰ বিষয়ে বৰ্ণনা কৰাৰ ক্ষেত্ৰত ব্যৱহাৰ হোৱা বিভিন্ন বিশ্লেষণবোৰৰ বিষয়ে জানিব লাগিব। এই ক্ষেত্ৰত সাধাৰণতে বিফলতা, অক্ষমতা আৰু বাধাগ্ৰস্ততা ইত্যাদি শব্দসমূহ সততে সমাৰ্থক হিচাপে ব্যৱহাৰ কৰা হয়। কিন্তু প্ৰকৃত অৰ্থত এই শব্দ সমূহৰ ব্যৱহাৰৰ ক্ষেত্ৰত অৰ্থগত পাৰ্থক্য থকা দেখা যায়। এই শব্দ সমূহৰ অৰ্থগত পাৰ্থক্যৰ



টোকা

তাৎপৰ্য WHOএ গ্ৰহণযোগ্য অক্ষমতা, অসমৰ্থতা আৰু বাধাগ্ৰস্ততাৰ সম্পৰ্কে আগবঢ়োৱা আন্তৰ্জাতিকভাৱে গ্ৰহণযোগ্য সংজ্ঞাসমূহত স্পষ্ট ৰূপত প্ৰতিফলিত হৈছে।

- অক্ষমতা হৈ যিকোনো গঠনমূলক ক্ষতি
- অসমৰ্থতা হৈছে কাৰ্যক্ষমতাৰ ক্ষেত্ৰত দেখা দিয়া অসামৰ্থ।
- বাধাগ্ৰস্ততা হৈছে এজন ব্যক্তিয়ে সামাজিকভাৱে সন্মুখীন হোৱা অসুবিধাসমূহ

এতিয়া আমি অসমৰ্থতাৰ অৰ্থ, কাৰণ আৰু সম্ভাব্য প্ৰভাৱ সম্পৰ্কে আলোচনা কৰো আহক।

## 8.2.1. সংজ্ঞানাত্মক অক্ষমতা

যোগাযোগ ক্ষমতা, নিজৰ যত্ন লোৱা আৰু সামাজিক দক্ষতা প্ৰভৃতিৰ মানসিক ক্ৰিয়া আৰু দক্ষতাৰ ক্ষেত্ৰত দেখা পোৱা সীমাবদ্ধতাসমূহ বুজাবলৈ এটা শব্দ ব্যৱহাৰ কৰা হয়। এই সীমাবদ্ধতাসমূহৰ পৰিপ্ৰেক্ষিতত এটা শিশুৱে এটি স্বাভাৱিক শিশুৰ তুলনা লাহে লাহে শিকে আৰু বিকাশপ্ৰাপ্ত হয়। মানসিকভাৱে প্ৰতিবন্ধকতাত ভোগা এই শিশুসকলক কথা ক'বলৈ, খোজ কাঢ়িবলৈ শিকা আৰু ব্যক্তিগত খোৱা-পিন্ধা ইত্যাদি কাম-কাজ কৰিবলৈ শিকাৰ ক্ষেত্ৰত অধিক সময়ৰ প্ৰয়োজন হয়। তেওঁলোকে বিদ্যালয়ৰ শিক্ষাৰ ক্ষেত্ৰত সততে অসুবিধাৰ সন্মুখীন হয়। তেওঁলোকে শিকে, কিন্তু তেওঁলোকৰ শিকনৰ প্ৰকৃতি লেহেমীয়া, কোনো কোনো ক্ষেত্ৰত তেওঁলোকে কিছুমান বিষয় শিকিবলৈ অসমৰ্থও হয়।

এজন মানসিকভাৱে প্ৰত্যাহ্বানৰ সন্মুখীন হোৱা শিশুৰ সাধাৰণ বৌদ্ধিক ক্ষমতা গড় ক্ষমতাৰ তলত থাকে আৰু তেওঁৰ বৌদ্ধিক বিকাশৰ গতিও লেহেমীয়া। শিশুৰ মানসিক প্ৰতিবন্ধকতাৰ মাত্ৰা মধ্যমীয়াৰ পৰা উচ্চ লৈ বিস্তৃত। বিকাশৰ প্ৰক্ৰিয়াৰ প্ৰথম অৱস্থাতেই এই বিসংগতি সমূহে দেখা দিয়ে।

(ক) অৰ্থ ঃ বৰ্তমান পুৰণি মানসিক প্ৰতিবন্ধকতা, মানসিক বাধাগ্ৰস্ততা আদিৰ শব্দৰ পৰিবৰ্তে সংজ্ঞানাত্মক অক্ষমতা শব্দটো ব্যৱহাৰ কৰা হয়। এই পৰিবৰ্তিত শব্দসমূহৰ ব্যৱহাৰৰ কাৰণ হৈছে 'বাধাগ্ৰস্ততা', 'অক্ষমতা' আদি শব্দ প্ৰয়োগৰ ফলত এই শিশুসকল সম্পৰ্কে আমাৰ মনত সৃষ্টি হোৱা ভুল ধাৰণা সমূহ দূৰ কৰা।

এজন মানসিকভাৱে প্ৰত্যাহ্বানমূলক শিশুৰ বুদ্ধ্যাংগক সাধাৰণ শিশুৰ গড় বুদ্ধ্যাংকতকৈ কম। এওঁলোকৰ কিছুমানক শ্ৰেণীৰ স্বাভাৱিক শিশুসকলৰ লগতে প্ৰশিক্ষণ প্ৰদান কৰি ব্যক্তি জীৱন নিজস্ব কাম-কাজ আৰু সমাজ জীৱনৰ বাবে উপযুক্ত কৰি তুলিব পৰা যায়। কিন্তু মানসিকভাৱে অধিক অল্পবুদ্ধিৰ লোকসকলক কোনো কামৰ বাবে প্ৰশিক্ষণ দিব পৰা নাযায়। গতিকে মানসিক দিশত অল্পবুদ্ধিৰ কিছুমান শিশু শিক্ষাৰ বাবে উপযুক্ত আৰু কিছুমান মাত্ৰ কিছু বিশেষ প্ৰশিক্ষণৰ বাবেহে উপযুক্ত।

বৃদ্ধ্যাংকৰ মাত্ৰাৰ ওপৰত ভিত্তি কৰি মানসিক বাধাগ্ৰস্ততাক বিভিন্ন শ্ৰেণীত ভাগ কৰিব পৰা যায়।



টোকা



সংজ্ঞানাত্মক অক্ষমতা (মানসিক বাধাগ্ৰস্ততা)-ৰ শ্ৰেণী বিভাজন

| বাধাগ্ৰস্ততাৰ স্তৰ | বুদ্ধাংগৰ মাত্ৰা |
|---|---|
| • অতি সাধাৰণ মানসিক বাধাগ্ৰস্ততা | ৫০-৭৫ লৈ |
| • মধ্যমীয়া মানসিক বাধাগ্ৰস্ততা | ৩৫-৪৯ লৈ |
| • মধ্যমীয়া মানসিক বাধাগ্ৰস্ততা | ২০-৩৪ লৈ |
| • মধ্যমীয়া মানসিক বাধাগ্ৰস্ততা | ২০ ৰ তল |

**(খ) সংজ্ঞানাত্মক অক্ষমতাৰ কাৰণ ঃ**

সংজ্ঞানাত্মক অক্ষমতাৰ কিছুমান গুৰুত্বপূৰ্ণ জ্ঞাত কাৰণ হৈছে—

(ক) সংক্ৰমণ আৰু বিষক্ৰিয়া (উদাহৰণ স্বৰূপে ৰুবেলা, চিফিলিচ, এনকেফেলাইটিছ, মিনিংজাইটিচ ইত্যাদি)

(খ) মানসিক আঘাত আৰু দৈহিক কাৰণ (উদাহৰণ ঃ জন্মৰ আগত বা পিছত কোনো দুৰ্ঘটনা, এনকচিয়া ইত্যাদি)

(গ) জৈৱ ৰাসায়নিক পৰিবৰ্তন আৰু পুষ্টি (উদাহৰণ ফেনাইল কেট'মিউৰিয়া)

(ঘ) গুৰুত্বপূৰ্ণ মস্তিষ্কৰ ৰোগ (উদাহৰণ টিউমাৰ)

(ঙ) জন্মৰ পূৰ্ব অৱস্থাৰ প্ৰভাৱ

উদাহৰণ ঃ হাউড্ৰডফালাচ, মাইক্ৰ' চেফালাচ)

(চ) ক্ৰ'মজমৰ বিসংগতি (উদাহৰণ ঃ ডাউন চিনড্ৰম)

(ছ) মানসিক সংক্ৰান্তৰ বিসংগতি (উদাহৰণ ঃ এতিয়ালৈকে উল্লেখ কৰা হোৱা নাই)

**(গ) সংজ্ঞানাত্মক অক্ষমতাৰ প্ৰভাৱ ঃ**

এটা সংজ্ঞানাত্মক অক্ষমতাযুক্ত শিশুৱে সাধাৰণতে স্মৰণ সংক্ৰান্ত সমস্যা, সচেতনতা সংক্ৰান্ত সমস্যা, সমস্যা সমাধানৰ সমস্যা, ভাষা সংক্ৰান্তৰ সমস্যা (যিয়ে কথিত আৰু লিখিত ভাষাত প্ৰকাশত সমস্যাৰ সৃষ্টি কৰে) আদিত ভোগে।

সংজ্ঞানাত্মক বিকলতাৰ বিভিন্ন প্ৰকাৰ সমূহ চৰম স্মৰণ অক্ষমতা বিশেষ সংজ্ঞানাত্মক কাৰ্য সম্পাদনৰ ক্ষমতাৰ সমস্যা বা বিকলতা (বিশেষভাৱে ভাষাগত সমস্যা) ইত্যাদি বিভিন্ন যাত্ৰাযুক্ত ভাগত বিভক্ত। সেইবাবে এই সংজ্ঞানাত্মক ক্ৰিয়া সংক্ৰান্ত সীমাবদ্ধতাসমূহৰ প্ৰভাৱো ভিন ভিন প্ৰকাৰৰ হ'ব পাৰে।

## 8.2.2. শ্ৰৱণ আৰু কথন বিকলতা ঃ

(ক) শ্ৰৱণ আৰু কথন বিকলতা অৰ্থ ঃ

শ্ৰৱণ বিকলতাই শ্ৰৱণ সংক্ৰান্তৰ বিভিন্ন বিসংগতিৰ বিভিন্ন মাত্ৰা আৰু প্ৰকাৰক সূচিত কৰে। আনহাতেদি বধিৰত হৈ কাণৰ যোগেদি কথা বাৰ্তা শুনাৰ ক্ষেত্ৰত দেখা দিয়া চৰম অক্ষমতাক বুজায়। সেয়েহে শ্ৰৱণ বিকলত যুক্ত শিশু বুলিলে শ্ৰৱণ সংক্ৰান্ত



টোকা

সমস্যাৰ পৰিপ্ৰেক্ষিতত যোগাযোগ স্থাপনত অসুবিধাৰ সন্মুখীন হোৱা শিশুসকলকহে বুজা যায়। এজন ব্যক্তিক বধিৰ বুলি তেতিয়া কোৱা যায় যেতিয়া তেওঁ ৯০ ডেচিবেল যুক্ত শব্দৰ ওপৰৰ শব্দহে শুনিব পাৰে (অৰ্থাৎ সাধাৰণতে কোৱা কথাতকৈ ৯ৰ পৰা ১০ গুণ বেছি চিঞৰি কথা ক'ব লাগে) আৰু অনেক ক্ষেত্ৰত তেওঁলোকে অতি বেছি ডাঙৰ শব্দও শুনিব নোৱাৰে। শ্ৰৱণ বিফলতা শ্ৰৱণ স্নায়ু সংক্ৰান্ত আৰু শব্দৰ পৰিবহণ সংক্ৰান্ত বিসংগতিমূলক সমস্যা হ'ব পাৰে। শ্ৰৱণৰ স্নায়ু সংক্ৰান্ত বিকলতাই কেন্দ্ৰীয় স্নায়ুতন্ত্ৰৰ শ্ৰৱণ সংবেদনৰ লগত জড়িত কোনো অংশৰ ক্ষতিগ্ৰস্ততাৰ ফলত হোৱা শ্ৰৱণৰ অসুবিধাক বুজায়। এই অংশবোৰ হৈছে অন্তঃকৰ্ণ, শ্ৰৱণ স্নায়ু, মস্তিষ্কৰ নিৰ্ধাৰিত অংশ, প্ৰমস্তিষ্কৰ আৱৰণ (এই অংশই শ্ৰৱণ সংকেতৰ তাৎপৰ্য ব্যাখ্যাত অসুবিধাৰ সৃষ্টি কৰিব পাৰে) ইত্যাদি। আনহাতেদি শব্দ তৰংগৰ পৰিবহণজনিত শ্ৰৱণ সমস্যা বহিঃ আৰু মধ্য কৰ্ণৰ লগত জড়িত। এই ক্ষেত্ৰত শব্দ তৰংগ অন্তঃকৰ্ণ প্ৰৱেশ কৰাত বাধাৰ সৃষ্টি হয়।

**শ্ৰৱণ বিকলতাৰ কাৰণ ঃ**

বধিৰতাৰ মুখ্য কাৰণসমূহৰ ভিতৰত বংশগতি, দুৰ্ঘটনা আৰু কোনো বিশেষ ব্যাধি বিশেষ উল্লেখযোগ্য। এই ক্ষেত্ৰত ৫০ শতাংশ বধিৰতাৰ ক্ষেত্ৰত বংশগতি। বা জেমেটিক কাৰকসমূহক বধিৰতাৰ সাম্ভাব্য কাৰক হিচাবে চিহ্নিত কৰিব পাৰি। অনেক পৰিৱেশীয় কাৰকো (দুৰ্ঘটনা, ৰোগ-ব্যাধি, বিষাক্ত বা অনিষ্টকাৰী ঔষধ সেৱন ইত্যাদি) অনেক ক্ষেত্ৰত বধিৰতাৰ কাৰণ হ'ব পাৰে। গৰ্ভৱতী মহিলাই ৰুবেলা বা আন ভাইৰেল সংক্ৰমণমূলক ৰোগত ভুগিলে শিশু জন্ম অৱস্থাতে বধিৰতাত ভোগে। সেইদৰে জন্মৰ সময়ত সন্মুখীন হোৱা বিভিন্ন সমস্যা যেনে জন্মৰ সময়ত অক্সিজেনৰ যোগান ব্যাহত হ'লেও শিশুৰ ক্ষেত্ৰত বধিৰতাই দেখা দিব পাৰে। সেইদৰে কোনো ব্যাধি বা সংক্ৰমনৰ ফলতো শিশু বধিৰতাৰ স্বীকাৰ হ'ব পাৰে। আনহাতেদি অবিৰতভাৱে প্ৰকট শব্দ শুনি থকাৰ ফলতো শিশুৰ সংবেদনজনিত স্নায়বিক বধিৰতাৰ সৃষ্টি হ'ব পাৰে। ইয়াৰ লগতে কোনো ডাঙৰ বিস্ফোৰণৰ শব্দৰ ফলত অথবা মূৰত বা কাণত কোনো আঘাত পালেও শিশুৰ ক্ষেত্ৰত বধিৰতাৰ সৃষ্টি হ'ব পাৰে।

(গ) শ্ৰৱণ বিকলতাৰ প্ৰভাৱ ঃ শ্ৰৱণ বিকলতাত ভোগা এটি শিশুৱে শিক্ষা আহৰণ আৰু সামাজিক দক্ষতাৰ বিকাশৰ বাবে প্ৰয়োজনীয় যোগাযোগৰ কৌশল হিচাবে ভাষা আৰু কথনত অধিক সময় ব্যয় কৰিব লগা হয়।

## 8.2.3. কথন বা বাক শক্তিৰ বিকলতা ঃ

**(ক) কথন বিকলতাৰ অৰ্থ ঃ** কথন বা বাক শক্তিৰ বিকলতা বিভিন্ন প্ৰকাৰৰ হ'ব পাৰে। এই সমস্যাৰ লগত সাধাৰণ ভাব প্ৰকাশৰ সমস্যা বা বাক ধ্বনিৰ মাত্ৰা, সম্পূৰ্ণ কথা ক'ব নোৱাৰা বা বাক শক্তিহীন, দীৰ্ঘদিনীয়া ভগামাত ইত্যাদি সমস্যাবোৰ জড়িত হৈ থাকে। এই কথন বিকলতাৰ সমস্যা অনেক সময়ত চেৰিব্ৰেল পাল্‌চি, শ্ৰৱণ বিকলতা আৰু মস্তিষ্কৰ আঘাত আদি কাৰকৰ লগত জড়িত হৈ থাকে। কথন বিকলতাত ভোগা শিশুসকলে কোনো বিষয় বুজা আৰু কোনো ধাৰণা প্ৰকাশ কৰাৰ ক্ষেত্ৰত অসুবিধাৰ সন্মুখীন হয়।

টোকা



**(খ) বাক শক্তি বা কথন বিকলতাৰ কাৰণ ঃ**

বিভিন্ন প্ৰকাৰৰ কথন বিকলতাৰ লগত জড়িত বিভিন্ন সমস্যা অনুযায়ী ইয়াৰ কাৰণ সমূহ ভিন ভিন হয়—

(১) **পলমকৈ কথা কোৱা ঃ** মানসিক বাধাগ্ৰস্ততা, শ্ৰৱণ বিকলতা আৰু বিভিন্ন আচৰণজনিত বিসংগতি আদি পলমকৈ কথা কোৱা বা কথা কোৱাত দেৰি হোৱাৰ অন্যতম কাৰণ হ'ব পাৰে।

**ফুটা তালু ঃ** মুখৰ তালু আৰু ওঁঠৰ কোনো সমস্যা থাকিলেও কথন সমস্যাৰ সৃষ্টি হ'ব পাৰে। অনেক সময়ত বাক সমস্যাৰ লগত মানসিক আৰু অনেক আৱেগিক আৰু মানসিক কাৰণো জড়িত হৈ থাকে। উদ্দীপনাৰ অভাৱ অপসমযোজন মূলক আচৰণ যেনে ঃ হাইপাৰ এক্টিভ বা অত্যধিক অস্থিৰতা, সঞ্চালনমূলক সমন্বয়হীনতা আৰু সাধাৰণ আচৰণমূলক বিসংগতি এই ক্ষেত্ৰত বিশেষ উল্লেখনীয়।

(২) কথন বা বাক শক্তিৰ বিকলতাৰ প্ৰভাৱ ঃ সৰু ল'ৰা-ছোৱালীৰ ক্ষেত্ৰত কথন সম্পৰ্কীয় সমস্যাই সামাজিক সমাযোজনমূলক সমস্যাৰ সৃষ্টি কৰিব পাৰে। এই কথন অসুবিধাৰ বাবেই তেওঁলোকে অনেক সময়ত তিৰস্কাৰৰ সন্মুখীন হয়। ফলত তেওঁলোকৰ আত্ম সন্মানবোধ হ্ৰাস পায়। কিন্তু বয়স বঢ়াৰ লগে লগে তিৰস্কাৰ আদিৰ পৰা লাভ কৰা নেতিবাচক প্ৰভাৱ কিছু হ্ৰাস পায়।

## 8.2.4. দৃষ্টিদৰ্শন বিকলতা ঃ

(ক) দৰ্শন বা দৃষ্টি বিকলতাৰ অৰ্থ ঃ শিশুৰ দৰ্শন বা দৃষ্টি বিকলতাই শিশুৰ দুৰ্বল দৃষ্টি শক্তিক বুজায়। দৰ্শন বিকলতাযুক্ত কিছুমান শিশুৱে পোহৰ দেখে কিন্তু বস্তুৰ আকাৰ মনিব নোৱাৰে আনহাতেদি কিছুমান এনে শিশুৱে পোহৰৰ কোনো সংবেদনেই লাভ কৰিব নোৱাৰে। কিন্তু সাধাৰণ আলোচনাৰ সুবিধাৰ বাবে এই শিশুসকলক দুটা দলত ভাগ কৰিব পাৰি— ক্ষীণ দৃষ্টিশক্তিযুক্ত আৰু আইনগতভাৱে অন্ধ।

যদি এটা শিশুৰ দৃষ্টিৰ তীক্ষ্ণতা চিকিৎসাৰ পিছতো ২০/২০০ৰ কম থাকে বা দৃষ্টিশক্তিৰ প্ৰসাৰতা চিকিৎসাৰ পিছতো ২০° ৰ কম থাকে তেন্তে এই শিশুটিক আইনগতভাৱে অন্ধ বুলি কোৱা হয়। আনহাতেদি ক্ষীণ দৃষ্টিশক্তি লগত জড়িত সমস্যাসমূহ হৈছে দৃষ্টিৰ অস্পৃষ্টতা, বা ক্ষীণ দৃষ্টি, ধুৱলি-কুঁৱলি দেখা চকুৰ আগত ছানি পৰা ওচৰৰ আৰু দূৰৰ বস্তু দেখাত অসুবিধা, দৃষ্টিৰ খেলিমেলি চকুৰ আগত বিন্দু বিন্দু দেখা, ৰং সমূহ দেখাৰ ক্ষেত্ৰত খেলি মেলি, দৃষ্টিৰ ক্ষেত্ৰ সম্পৰ্কীয় সমস্যা, পোহৰৰ প্ৰতি অস্বাভাৱিক সংবেদনশীলতা বা স্থিৰ দৃষ্টি, কুকুৰীকণা (ৰাতি নেদেখা), প্ৰান্তীয় দৃষ্টি সম্পৰ্কীয় সমস্যা ইত্যাদি।

**(খ) দৰ্শন বিকলতাৰ কাৰণ ঃ**

দৰ্শন বিকলতাৰ মুখ্য কাৰণ সমূহ হৈছে —

১। ভিটামিন 'এ'ৰ অভাৱ



টোকা

২। গৰ্ভাৱস্থাৰ কোনো অস্বাভাৱিকতা বা জন্মগত দোষৰ বাবে হোৱা জন্মগত ছানি

৩। জথৰ সময়ত পৰিপক্কতাৰ বাবে ‘ইনকিউবেটৰ’ত ৰখা অৱস্থাত ঘণীভূত অক্সিজেন প্ৰয়োগ কৰাৰ ফলত ‘ৰেটিনাৰ ক্ষতি হৈ দৃষ্টি শক্তি সম্পূৰ্ণ লোপ পাব পাৰে।

- চকুৰ ছানি ঃ সাধাৰণতে এই সমস্যা ব্যক্তিৰ মাজ বয়সত সৃষ্টি হয় আৰু অপাৰেচনৰ দ্বাৰা ইয়াত আঁতৰাব পাৰি।
- গ্লোক’মা ঃ চকুত উচ্চ চাপৰ সৃষ্টি হৈ ৰেটিনা ক্ষতিগ্ৰস্ত হৈ এইৰোগৰ সৃষ্টি হয় আৰু দৃষ্টিশক্তি ক্ৰমে লোপ পাবলৈ ধৰে।

**দৃষ্টি বিকলতাৰ প্ৰভাৱ ঃ**

দৃষ্টি বিকলতাত ভোগা শিশুসকল দৃষ্টিমূলকভাৱে প্ৰদৰ্শিত কোনো বিষয় বা আন দৃষ্টিমূলক কোনো বিষয় বা বস্তু আয়ত্ব কৰাত অসুবিধাৰ সন্মুখীন হয়। ইয়াৰ উপৰিও এই শিশুসকলে চকুৰে চাই নিয়ন্ত্ৰণ কৰি চিহ্নিত কৰিব লগা বা কৰিব লগা কাৰ্যসমূহ সম্পাদনত বিশেষ অসুবিধাত ভুগিব লগা হয়। উদাহৰণ স্বৰূপে চকু আৰু হাতৰ সমন্বয়ৰ দ্বাৰা কম্পিউটাৰৰ ‘মাউচ’ নিয়ন্ত্ৰণ কৰা)। সেইদৰে লিখিতবাৱে প্ৰদান কৰা নিৰ্দেশনা বা তথ্যৰাজি এই শিশুসকলৰ ক্ষেত্ৰত প্ৰযোজ্য নহয়। ইয়াৰ লগতে দক্ষতা সহকাৰে হস্ত সঞ্চালন কৰিব লগা বিষয়সমূহৰ এই শিশুসকলৰ বাবে বিশেষ অসুবিধাজনক হৈ পৰে।

বৰ্ণ অন্ধতাত ভোগাসকলে বিশেষ কিছুমান ৰং বিভেদীকৰণ কৰি চিনাক্তকৰণৰ ক্ষেত্ৰত সমস্যাৰ সন্মুখীন হয়। এই সমস্যা কিন্তু সাধাৰণতে বিশেষ গুৰুত্বপূৰ্ণ নহয়। কাৰণ এই সমস্যা ৰঙৰ ভিত্তিত সংকেতৰ দ্বাৰা প্ৰদান কৰা তথ্য বা অনুপযুক্ত যুগ্ম ৰং নিৰ্বাচন কৰাৰ ফলত চিত্ৰ পটভূমিৰ বৈপৰীত্যৰ সৃষ্টিত স্পষ্টতাৰ দুৰ্বল প্ৰভাৱ ইত্যাদিৰ ক্ষেত্ৰতে বিচাৰ্য বিষয়।

## 8.2.5. সঞ্চালনমূলক বিকলতা ঃ

**সঞ্চালকমূলক বিকলতাৰ অৰ্থ ঃ**

সঞ্চালনমূলক বিকলতাত ভোগা ছাত্ৰ-চাত্ৰীসকল বিশেষ চাহিদাযুক্ত শিশুৰ অন্তৰ্ভুক্ত আৰু স্বাভাৱিকভাৱে সমাজৰ এজন সদস্য। দিশৰ পৰা এই শিশুসকল আৰু স্বাভাৱিক শিশুসকলৰ মাজত কোনো পাৰ্থক্য নাথাকে। কিন্তু এই শিশুসকলৰ নিজস্ব ব্যতিক্ৰমতা আছে আৰু সমাজত এওঁলোকৰ নিৰ্ধাৰিত প্ৰভাৱ আছে। আগতে এই শিশুসকলক সহানুভূতি আৰু পুতৌৰে চোৱা হৈছিল। বৰ্তমান সামাজিক সচেতনতাৰ বিকাশৰ লগে লগে বিশেষভাৱে সক্ষম শিশুসকলৰ প্ৰতি থকা সাধাৰণ মনোভাৱৰ পৰিবৰ্তন ঘটিছে।

সঞ্চালনমূলক বিকলতা হৈছে এনে এটি দৈহিক অৱস্থা যাৰ ফলত এটি শিশুৰে আন এটি স্বাভাৱিক শিশুৰ দৰে স্বাভাৱিক বিকাশৰ সুযোগৰ পৰা বঞ্চিত হয়। এই শিশুসকলৰ বাবে তেওঁলোকৰ বিশেষ অসুবিধাসমূহৰ লগত মোকাবিলা কৰিবৰ বাবে

টোকা

বিশেষ মনোযোগ আৰু সা-সঁজুলিৰ প্ৰয়োজন।

(খ) সঞ্চালনমূলক বিকলতাৰ কাৰণ ঃ

সঞ্চালনমূলক বিকলতাৰ কিছুমান উল্লেখযোগ্য কাৰণ হৈছে

**আৰ্থ্ৰাইটিচ ঃ** আৰ্থ্ৰাইটিচ হৈছে শৰীৰৰ গাঠিসমূহৰ বিষ। ইয়াৰ ফলত চলা-ফুৰা কৰাৰ অসুবিধাত ভোগাৰ লগতে শৰীৰ দুৰ্বল হৈ পৰে। বাটজাতীয় আৰ্থ্ৰাইটিচ এক দীৰ্ঘ স্থায়ী বেমাৰ। আনহাতেদি অস্থি আৰ্থ্ৰাইটিচ লাহে লাহে হোৱা ক্ষয়ৰ ফলত হোৱা গাঁঠিৰ বিষ।

- **চেৰিব্ৰেল পাল্‌চি ঃ** চেৰিব্ৰেল পাল্‌চি হৈ মস্তিষ্ক পূৰ্ণবিকাশ হোৱাৰ আগতেই মস্তিষ্কৰ সঞ্চালনৰ লগত জড়িত অংশ ক্ষতিগ্ৰস্ত হোৱা। অধিকাংশ ক্ষেত্ৰত এই বিসংগতি জন্মৰ সময়ত বা ইয়াৰ পিছতে দেখা পোৱা যায়। চেৰিব্ৰেল পাল্‌চি হৈছে কোনো কাৰণত হোৱা মস্তিষ্কৰ এক প্ৰকাৰৰ ক্ষতিসাধন, ই কোনো বেমাৰ নহয়। কিন্তু বিশেষ ক্ষেত্ৰত কোনো বেমাৰৰ বাবেও এই ক্ষতি হ'ব পাৰে। সময়ৰ লগে লগে ই বাঢ়ি নাযায়। এই অসুবিধা প্ৰতিকাৰযোগ্য নহয়।
- **মেৰুমৰ্জাৰ আঘাত ঃ** মেৰুমৰ্জাত কোনো আঘাতৰ ফলত অনেক সময়ত পক্ষাঘাত বা পেৰালাইচিচ হোৱা দেখা যায়। মেৰুমৰ্জাৰ ক্ষতিৰ মাত্ৰা বা কিমান কম বা বেছি এই দিশৰ দ্বাৰা আৰু ক্ষতিৰ প্ৰকৃতিৰ দ্বাৰা পেৰালাইচিচৰ মাত্ৰা নিৰ্ধাৰিত হয়।
- **মস্তিষ্কৰ আঘাত (চেৰিব্ৰেল ট্ৰাউমা) ঃ** মস্তিষ্কৰ আঘাতৰ দ্বাৰা এক বহল পৰিসৰৰ আঘাতক বুজায়। ইয়াৰ ভিতৰত মস্তিষ্কত গুৰুতৰ আঘাত, মস্তিষ্ক ষ্টেমত আঘাত, মস্তিষ্কৰ আভ্যন্তৰৰ আঘাত, মস্তিষ্কত ৰক্তক্ষৰণ, লাওঁখোলাৰ অস্থিভংগ হৈ বহি যোৱা, মস্তিষ্কত বুলেট জাতীয় বস্তু সোমোৱা, মস্তিষ্কত অক্সিজেনৰ অভাৱ হোৱা বা অপাৰেচনৰ পিছত হোৱা সংক্ৰমণ আদি অন্তৰ্ভুক্ত।
- **ষ্ট্ৰোক (চেলিব্ৰেল ভেচকুলাৰ এক্সিডেন্ট) ঃ** ষ্ট্ৰোকৰ তিনিটা মূল কাৰণ হৈছে - ৰক্তৰ ঘণীভৱন (ৰক্ত গোটা বান্ধি ৰক্তনলীত ৰক্ত প্ৰৱাহত বাধা প্ৰদান কৰা), মস্তিষ্কত ৰক্তক্ষৰণ (উচ্চৰক্তচাপ জনিত কাৰণত বা ৰক্তনলী ফাটি মস্তিষ্কৰ পেশীসমূহত ৰক্তক্ষৰণ হোৱা) আৰু এম্বলিজিম (ৰক্তনলীত তেল গোটা বান্ধি বা বুৰবুৰণিৰ সৃষ্টি হৈ ৰক্তনলী বন্ধ হোৱা)
- **অংগৰ ক্ষতি ঃ** (অংগচ্ছেদ বা জন্মগত) ঃ এই সমস্যা বিভিন্ন কাৰণত হ'ব পাৰে যেনে ঃ বিস্ফোৰণ, কোনো যন্ত্ৰত অংগ সোমাই গৈ কাটি যোৱা, অন্য কোনো কাৰণত অংগচ্ছেদ হোৱা, অগ্নিদগ্ধ হোৱা, অনিবাৰ্য কাৰণত অপাৰেচনৰ দ্বাৰা অংগচ্ছেদ কৰা (যেনে - কেঞ্চাৰ, প্ৰান্তীয় স্নায়ুজনিত ৰোগ, মধুমেহ ইত্যাদি ৰোগৰ বাবে) ইত্যাদি।
- **পাৰকিনচন ৰোগ ঃ** এই ৰোগ বয়স্কসকলৰ ক্ষেত্ৰত বয়স বঢ়াৰ লগে লগে বিশেষভাৱে দেখা যায়। এইৰোগৰ লক্ষণ সমূহৰ ভিতৰত শৰীৰৰ মাংসপেশীসমূহ

টোকা

জথৰ হোৱা, সঞ্চালনৰ গতি কম হোৱা আৰু অস্বাভাৱিক ধৰণৰ কঁপনি বিশেষভাৱে উল্লেখ যোগ্য। কিন্তু এই ৰোগ পক্ষাঘাত ৰোগৰ অন্তৰ্ভুক্ত নহয়।

- **যৌগিক বা মিশ্ৰ স্কেৰ'চিচ ঃ** যৌগিক বা মিশ্ৰ স্কেৰ'চিচ হৈছে ক্ৰমান্বয়ে হোৱা এক প্ৰকাৰ কেন্দ্ৰীয় স্নায়ুতন্ত্ৰৰ লগত জড়িত ৰোগ। এই ৰোগৰ ফলত স্নায়ুবিলাকক আৱৰি থকা ইনচুলেটিং পদাৰ্থসমূহ নষ্ট হৈ যায়।

- **পেশীয় পুষ্টিহীনতা ঃ** পেশীয় পুষ্টিহীনতা এক প্ৰকাৰ বংশগত ৰোগ। এই ৰোগত আক্ৰান্ত হ'লে ক্ৰমান্বয়ে মাংসপেশী সমূহ দুৰ্বল হ'বলৈ ধৰে। ইয়াৰ ফলত মাংসপেশীৰ ওপৰত নিয়ন্ত্ৰণ নাইকিয়া হয় আৰু পেশীয় সংকোচন লোপ পায়। ব্যক্তিয়ে খোজকঢ়া, উশাহ লোৱা, হাতৰে কোনো বস্তু ধৰা, তোলা আদি কাৰ্যসমূহ সম্পাদন কৰিব নোৱাৰা হয়।

**সঞ্চালকমূলক বিকলতাৰ প্ৰভাৱ ঃ** সঞ্চালনমূলক বিকলতাত ভোগা এজন ব্যক্তিৰ পেশীয় নিয়ন্ত্ৰণ দুৰ্বল হয়। ইয়াৰ উপৰিও তেওঁ দুৰ্বলতা, অৱসাদ, খোজকঢ়াত কথাকোৱা, চোৱা, কোনো বস্তুৰ দৈহিক সংবেদন লাভ কৰা, ধৰা (বিষ বা দুৰ্বলতাৰ বাবে) বস্তু টানি অনা, যৌগিক সঞ্চালনমূলক কাৰ্য সম্পাদনৰ অসুবিধা ইত্যাদি অনেক সমস্যাত ভোগে। মেৰুমৰ্জাৰ আঘাতজনিত সমস্যাত ভোগা ব্যক্তিয়ে শৰীৰৰ অংগ প্ৰত্যংগসমূহ সঞ্চালন কৰি ব্যৱহাৰ কৰিব নোৱাৰে। সেইদৰেই আন কিছুমান শাৰীৰিক অক্ষমতা যেনে ঃ চেৰিব্ৰেল পালচি, মেৰুমৰ্জাত আঘাত, আৰ্থ্ৰাটিচ যৌগি স্কেৰ'চিচ ইত্যাদি) ভোগা ব্যক্তিয়ে শৰীৰটো ঘূৰোৱা পকোৱাত অসুবিধা ভোগ কৰে।

## 8.2.6. যৌগিক বা মিশ্ৰ বিকলতা

**(ক) অৰ্থ ঃ মিশ্ৰ বিকলতা ঃ** কেতিয়াবা কোনো এক বিশেষ বিকলতা আন বিকলতাৰ লগত জড়িত হৈ পৰে। সাধাৰণতে জটিল ৰোগ বা 'ট্ৰমা' (মানসিক আঘাত) বা বাৰ্ধক্যজনিত কাৰণত হোৱা বিকলতাৰ ক্ষেত্ৰত এই সমস্যা অধিক প্ৰত্যক্ষ কৰা যায়।

এই ক্ষেত্ৰত বধিৰতা আৰু অন্ধতা সাধাৰণতে যুগ্মভাৱে দেখা পোৱা যায়। এই যুগ্ম সমস্যাত ভোগা ব্যক্তিসকল সম্পূৰ্ণ ৰূপত বধিৰ নহয় বা আইনগতভাৱে তেওঁলোকক অন্ধ বুলিও ক'ব নোৱাৰি। কিন্তু তেওঁলোকৰ এই দুয়োটা সমস্যাৰ প্ৰতিকাৰ কৰিবলৈ যাওঁতে এই দুয়োটা দিশ যুগ্মভাৱে বিচাৰ কৰিব লাগে। কেৱল বধিৰতা বা অন্ধতাৰ দিশটো চাই ইয়াৰ প্ৰতিকাৰ ব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰি। সেইদৰেই বিকাশমূলক বিকলতাত ভোগা লোকসকলৰ ক্ষেত্ৰত অনেক মানসিক আৰু শাৰীৰিক অক্ষমতা যুগ্মভাৱে দেখা যায় ফলত জীৱনৰ একাধিক ক্ৰিয়া সম্পাদনৰ ক্ষেত্ৰত সীমাবদ্ধতা দেখিবলৈ পোৱা যায়। এইদৰেই ডায়েবেটিচৰ ফল এজন ব্যক্তিৰ দৃষ্টিশক্তি লোপ পাব পাৰে আৰু লগতে আঙুলিসমূহৰ সংবেদন ক্ষমতা নাইকিয়া হ'ব পাৰে। এই ক্ষেত্ৰত 'ব্ৰেইলী' ব্যৱস্থা কাৰ্যকৰী হ'ব নোৱাৰে। এইদৰেই চেৰিব্ৰেল পালচিৰ লগত দৰ্শন, বিকলতা, শ্ৰৱণ বিকলতা, ভাষাৰ বিসংগতি, সংজ্ঞানাত্মক বিকলতা ইত্যাদি দিশ



টোকা

জড়িত হৈ থাকিব পাৰে।

**(খ) মিশ্ৰ বিকলতাৰ কাৰণ ঃ**

মিশ্ৰ বিকলতাৰ লগত সামাজিক, পাৰিৱেশিক আৰু দৈহিক কাৰণ জড়িত হৈ থাকে। কিন্তু কিছুমান ক্ষেত্ৰত ইয়াৰ নিৰ্ধাৰিত কাৰণ নিৰ্ণয় সহজ নহয়। সেয়ে হ'লেও মিশ্ৰ বা যৌগিক বিসংগতিৰ কিছুমান সাধাৰণ কাৰণ হৈছে —

- মস্তিষ্কৰ আঘাত বা জন্মৰ সময়ত, আগত বা পিছত হোৱা সংক্ৰমণ।
- বৃদ্ধি বা পুষ্টিসংক্ৰান্তৰ সমস্যা (জন্মপূৰ্ব, বা জন্মৰ পিছৰ অৱস্থাত)
- জন্মৰ নিৰ্ধাৰিত দিনৰ বহু আগতেই আগতীয়াকৈ জন্ম হোৱা। (অতি আগতীয়া জন্ম)
- গৰ্ভকালীন অৱস্থাত মাতৃৰ পুষ্টিহীনতা আৰু স্বাস্থ্যৰ উপযুক্ত যত্নৰ অভাৱ।
- গৰ্ভকালীন অৱস্থাত মাতৃয়ে মাদক দ্ৰব্য, ধুমপান জাতীয় অনিষ্টকাৰী দ্ৰব্য সেৱন কৰা।
- ঔষধজনিত গৰ্ভকালীন বিকাশমূলক বাধা (নিষিদ্ধ বিষ নিৰাময়ৰ ঔষধ সেৱন)
- গুৰুত্বৰ দৈহিক অত্যাচাৰ (শিশু নিৰ্যাতন) যাৰ ফলত শিশুৰ মস্তিষ্ক আঘাতপ্ৰাপ্ত হ'ব পাৰে। ইয়াৰ ফলত শিশুৰ ক্ষেত্ৰত শিকন অক্ষমতা আৰু অনেক সামাজিক আবেগিক সমস্যাৰ সৃষ্টি হ'ব পাৰে।

## 8.2.7. শিকন অক্ষমতা ঃ

শিকন অক্ষমতাৰ লগত অনেক কাৰক জড়িত হৈ থাকে। এই অক্ষমতাৰ মূল উৎস হৈছে বিশেষ স্নায়ৱিক বিকাৰ। ইয়াৰ ফলত শ্ৰৱণ, দৰ্শন বা স্থান সম্পৰ্কীয় অথবা ইহঁতৰ সংমিশ্ৰিত সংবেদন লব্ধ তথ্যৰ অৰ্থ লাভ বা প্ৰক্ৰিয়াকৰণৰ ক্ষেত্ৰত অসুবিধাৰ সৃষ্টি হয়।

শিকন অক্ষমতা সাধাৰণতে গড় বুদ্ধিযুক্ত আৰু ইয়াৰ ওপৰৰ বুদ্ধিযুক্ত শিশুৰ ক্ষেত্ৰত অধিক দেখা যায়। এই শিকন অক্ষমতাসমূহৰ লগত দৰাচলতে কথিত বা লিখিত ভাষা সংক্ৰান্তৰ দিশ জড়িত হৈ থাকে। এই বিলাকৰ ভিতৰত পঠন সম্পৰ্কীয় বিকলতা বা 'ডিস্লেচিয়া', লিখাৰ সমস্যা 'ডিচগ্ৰাফ্ৰিয়া' আৰু গাণিনীক বা গণনা সংক্ৰান্তৰ সমস্যা বা 'ডিচকেলকুলিয়া' ইত্যাদি অন্তৰ্ভুক্ত। এই প্ৰত্যেকবিধ সমস্যাৰেই প্ৰকটতাৰ ক্ষেত্ৰত মাত্ৰাগত তাৰতম্য দেখা যায়। এই ক্ষেত্ৰত বৌদ্ধিক সামৰ্থ, পাৰদৰ্শিতাৰ মাত্ৰা আৰু ফলশ্ৰুতি (তথ্যৰ প্ৰকাশ আৰু প্ৰতিক্ৰিয়া প্ৰদান)ৰ মাজত দেখা পোৱা লক্ষণীয় পাৰ্থক্যৰ ভিত্তিক শিশুৰ শিক্ষা অক্ষমতাক চিহ্নিত কৰিব পৰা যায়।

**(খ) শিকন অক্ষমতাৰ কাৰণ ঃ**

শিকন অক্ষমতাৰ প্ৰকৃত কাৰণ বুজা কঠিন। অনেক সময়ত ইয়াৰ কোনো এটা বিশেষ কাৰণো দেখিবলৈ পোৱা নাযায়। সেয়ে হ'লেও ইয়াৰ লগত কিছুমান স্নায়বিক



টোকা

কাৰক জড়িত হৈ থাকে। যেনে -

- **বংশগতি ঃ** শিকন অক্ষমতা কেতিয়াবা বংশগত হয়।
- **গৰ্ভাৱস্থা আৰু জন্মৰ সময়ৰ সমস্যা ঃ** মস্তিষ্কৰ বিকাশৰ বিসংগতিৰ কোনো ৰোগ বা আঘাত, মাদক দ্ৰব্য বা কোনো বিশেষ ঔষধ সেৱন, জন্মৰ সময়ত কম ওজন, অক্সিজেনৰ অভাৱ, অপৰিপক্ক অৱস্থাত জন্ম বা প্ৰসৱবেদনাৰ দীঘলীয়া সময় ইত্যাদি কাৰকৰ ফলতো শিকন অক্ষমতাৰ সৃষ্টি হ'ব পাৰে।
- **জন্মৰ পৰৱৰ্তী কালৰ দুৰ্ঘটনা ঃ** মস্তিষ্কৰ আঘাত, পুষ্টিহীনতা বিষাক্ত বস্তুৰ প্ৰভাৱ (ৰাসায়নিক পদাৰ্থ বা কীটনাশক আদি) আদিও কোনো সময়ত শিকন অক্ষমতাৰ কাৰণ হ'ব পাৰে।

## 8.2.8. আবেগিক আৰু আচৰণমূলক বিসংগতি ঃ

**(ক) অৰ্থ ঃ** সাধাৰণতে শিক্ষা পৰিৱেশৰ লগত বিশেষভাৱে জড়িত আবেগিক আৰু আচৰণমূলক বিসংগতিসমূহ শিশু আৰু কৈশোৰসকলৰ ক্ষেত্ৰত বিশেষ বৈশিষ্ট্যযুক্ত বহল পৰিসৰৰ বিশেষ শ্ৰেণীভুক্ত সমস্যা। এই ক্ষেত্ৰত এটা শিশুৰে তেওঁৰ শিক্ষাত বিৰূপ বা প্ৰতিকূল প্ৰভাৱ পেলাব পৰাকৈ তলত উল্লেখ কৰা বৈশিষ্ট্যসমূল এক লক্ষণীয় মাত্ৰাত দীৰ্ঘদিন ধৰি প্ৰদৰ্শন কৰা দেখা যায়। যেনে -

(১) শিকন অসুবিধা যিবিলাক কোনো বৌদ্ধিক ক্ষমতা স্নায়ৱিক অৱস্থা বা শাৰীৰিক কাৰণৰ পৰিপ্ৰেক্ষিতত ব্যাখ্যা কৰিব নোৱাৰি।

(২) শিক্ষক আৰু সমনীয়াৰ লগত সুস্থ আন্তঃসম্পৰ্ক স্থাপনত অসুবিধা

(৩) স্বাভাৱিক পৰিস্থিতিত অস্বাভাৱিক প্ৰকৃতিৰ আচৰণৰ প্ৰদৰ্শন।

(৪) সাধাৰণভাৱে দীৰ্ঘদিন ব্যাপ্ত নিৰানন্দ বা বিষণ্ণতা

(৫) ব্যক্তিগত আৰু বিদ্যালয় সম্পৰ্কীয় সমস্যাৰ লগত কিছুমান শাৰীৰিক সমস্যা বা ভয়ৰ মনোভাৱ বিকাশৰ প্ৰৱণতা

**(খ) আবেগিক আৰু আচৰণমূলক বিসংগতিৰ কাৰণ ঃ** আবেগিক আৰু আচৰণমূলক বিসংগতিৰ অন্তৰালত অনেক ক্ষেত্ৰত কিছুমান জৈৱিক কাৰক জড়িত হৈ থাকে। এটি শিশুৰ ক্ষেত্ৰত এই সমস্যাসমূহ 'জীন' বা বংশগত ভিত্তিত হ'ব পাৰে। সেইদৰেই মস্তিষ্কত জৈৱ-ৰাসায়নিক ভাৰসাম্যহীনতাৰ ফলত মস্তিষ্কত সৃষ্টি হোৱা বিসংগতি বা কোনো আঘাতো এই সমস্যাৰ কাৰণ হ'ব পাৰে। কোনো কোনো সময়ত পাৰিবেশিক কাৰণতো এই সমস্যাসমূহৰ সৃষ্টি হ'ব পাৰে। উদাহৰণ স্বৰূপে, কোনো কাৰণত কোনো শিশু নিৰ্যাতনৰ বলি হ'লে, অত্যধিক মানসিক চাপৰ সন্মুখীন হ'লে, তেওঁলোকৰ পৰিয়ালৰ কোনো লোকৰ অপ্ৰত্যাশিত মৃত্যু হ'লে অথবা হিংসাৰ বলি হ'লে অনেক ক্ষেত্ৰত এই শিশুসকলৰ ক্ষেত্ৰত এই সমস্যাসমূহৰ বিকাশৰ সম্ভাৱনীয়তা বৃদ্ধি পায়।



টোকা

## 8.2.9. 'প্ৰতীক্ষাৰত শিশু'ৰ ধাৰণা ঃ

যিবিলাক শিশু কোনোবাই তেওঁলোকক দত্তক (তুলি লোৱা) হিচাবে গ্ৰহণৰ বা আপেক্ষাৰত বা আইনগতভাৱে দত্তকৰ বাবে উপযুক্ত তেওঁলোককেই 'প্ৰতীক্ষাৰত শিশু' বুলি কোৱা হয়। এই শিশুসকল ৰাজহুৱা শিশু কল্যাণ ব্যৱস্থাৰ তত্বাৱধানত থাকে তেওঁলোক, তেওঁলোকৰ জন্মস্থান নিজৰ ঘৰলৈ ঘূৰি যোৱাৰ কোনো সুযোগ নাথাকে আৰু তেওঁলোকৰ বাবে একোটা স্থায়ী গৃহ পৰিৱেশৰ প্ৰয়োজন। এই 'প্ৰতীক্ষাৰত শিশু' শব্দটোৱে আইনগতভাৱে দত্তক বা তুলি ল'বৰ উপযুক্ত বিদ্যালয়লৈ যাব পৰা হোৱা বয়সৰ শিশুসকলক বুজায়। এই শিশুসকল ৰাজহুৱা শিশু লালন-পালনকাৰী কোনো সংস্থাৰ আইনী এক্তিয়াৰ আৰু তত্বাৱধানত থাকে। এই শিশুসকল বিভিন্ন পৰিস্থিতি আৰু কাৰণৰ পৰিপ্ৰেক্ষিতত এই শিশু লালন-পালনকাৰী ব্যৱস্থা এক্তিয়াৰলৈ আহিব লগা হয়। এই কাৰণসমূহৰ ভিতৰত অৱহেলা, পৰিত্যাগ কৰণ, নিৰ্যাতন আৰু পৰিয়ালত সন্মুখীন হোৱা অনেক প্ৰকাৰৰ সমস্যাপূৰ্ণ অৱস্থা বিশেষ উল্লেখযোগ্য।

কিছুমান প্ৰতীক্ষাৰত শিশুৰ নিজৰ ভাই-ভনীসমূহো আইনগতভাৱে দত্তক বা তুলি ল'ব পৰা অৱস্থাত থাকে। এই ক্ষেত্ৰত তেওঁলোকে এটা পৰিয়ালত থকাৰ সুযোগ লাভ কৰাৰ বাঞ্চা কৰে। অধিকাংশ ভৌগোলিক ক্ষেত্ৰতে আধাতকৈয়ো বেচি প্ৰতীক্ষাৰত শিশুৰ ক্ষেত্ৰত জাতিগত বৈচিত্ৰ্যতা দেখা যায় বা তেওঁলোক বিন্ন বৰ্গৰ হয়। এই প্ৰতীক্ষাৰত শিশুসকলৰ ক্ষেত্ৰত দেখা পোৱা দুটা সাধাৰণ বৈশিষ্ট্য হৈছে।

(১) মৰম ভাল পোৱা আৰু উৎসাহ উদ্দীপনাৰ যোগেদি নিজৰ সম্ভাৱনীয়তাসমূহৰ পূৰ্ণ বিকাশৰ বাবে এই শিশুসকলৰ বাবে এটি দায়িত্বপূৰ্ণ আৰু উপযুক্ত প্ৰতিপালন প্ৰদান কৰিব পৰা পৰিয়াল বা গৃহ পৰিবেশৰ প্ৰয়োজন আৰু

(২) সম্পূৰ্ণ পৰিপূৰ্ণভাৱে নহ'লেও আৰু যথেষ্ট প্ৰত্যাহ্বানমূলক হ'লেও এই শিশুসকলে তেওঁলোকৰ নতুন পৰিয়ালত আনন্দ সন্তুষ্টিৰ সঞ্চাৰ কৰে।

ভাৰতীয় দত্তক প্ৰক্ৰিয়া অনুযায়ী হিন্দুসকলৰ বাহিৰে, ভাৰতীয় আইনত কোনো দত্তক ব্যৱস্থা নাই। দত্তক গ্ৰহণ কৰা পিতৃ-মাতৃৰ অভিভাৱকত্ব কেৱল দেশৰ পৰা বাহিৰলৈ যাবৰ বাবেহে 'দত্তক' গ্ৰহণ কৰিব পাৰে আৰু পিতৃ-মাতৃৰ নিজৰ দেশত দত্তক কাৰ্যকৰী হয়।

**অগ্ৰগতিৰ পৰীক্ষা কৰক**

- যিসকল শিশু 'দত্তক' বা তুলি লোৱাৰ বাবে অপেক্ষাৰত আৰু 'দত্তক'ৰ বাবে আইনগতভাৱে মুক্ত, তেওঁলোকক.................. শিশু বুলি জনা যায়?
- আইনগতভাৱে অন্ধ বুলি কোৱা এজন শিশুৰ দৃষ্টিশক্তিৰ তীক্ষ্ণতা হৈছে ...... (২০/২০, ২০/২০০, ১০/২০০, ২০/২০০০)
- শ্ৰৱণ বিকলতাত ভোগা এটি শিশুৱে অধিকাংশ সময় ---------- শিকন নিয়োজিত কৰিব লগা হয় (ভাষা, ব্ৰেইলী, লিখা, পঢ়া)



টোকা

- ভিটামিন ‘এ’-ৰ অভাৱ----------ৰ এটা কাৰণ (শ্ৰৱণ বিকলতা, সঞ্চালনমূলক বিকলতা, সংজ্ঞানাত্মক অক্ষমতা, দৃষ্টি সংক্ৰান্ত বিকলতা)

## 8.3. আগতীয়া চিনাক্তকৰণ, পৰিমাপ আৰু হস্তক্ষেপকৰণ বা প্ৰতিকাৰ কৰণ ঃ

বৰ্তমান আগতীয়া বাল্যকালৰ যত্ন আৰু বিকাশৰ ওপৰত ভাৰতবৰ্ষত ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক উভয় পৰ্যায়তে গুৰুত্ব প্ৰদান কৰা হৈছে। শিশুসকলক বিদ্যালয় শিক্ষাৰ বাবে উপযুক্তভাৱে প্ৰস্তুত কৰি তুলিবৰ বাবে আৰু তেওঁলোকৰ প্ৰাথমিক আৰু গৌণ সমস্যাসমূহক আগতীয়া চিনাক্তকৰণ অত্যন্ত জৰুৰী। শিশুৰ সকলো সম্ভাৱনীয়তাৰ সৰ্বাধিক প্ৰয়োগৰ ওচৰত শিশুৰ  ভৱিষ্যৎ আৰু সাৰ্বিক বিকাশ নিৰ্ভৰ কৰে।

শিশুৰ পুনঃ সংস্থাপনৰ লগত জড়িত প্ৰতিজন বিশেষজ্ঞই শিশুৰ সমস্যা সমূহৰ আগতীয়া চিনাক্তকৰণ আৰু হস্তক্ষেপকৰণৰ ওপৰত গুৰুত্ব আৰোপ কৰে। শিশুৰ সামগ্ৰিক বিকাশৰ লগত জড়িত আই চি ডি এচত শিশুৰ পুষ্টিৰ দিশটোৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰা হয়। এই প্ৰগ্ৰেমক পৰৱৰ্তী পৰ্যায়ত কৈশোৰ অৱস্থাপ্ৰাপ্ত ছোৱালী, প্ৰসৱৰ পূৰ্ব আৰু প্ৰসৱোত্তৰ অৱস্থাৰ যত্ন আৰু ছয় বছৰ বয়সলৈ বিস্তৃত প্ৰাকবিদ্যালয়ৰ শিক্ষা পৰ্যন্ত সম্প্ৰসাৰিত কৰা হৈছিল। ইয়াৰ লগত জড়িত তৃণমূল পৰ্যায়ৰ কৰ্মী (অংগনৱাদী কৰ্মী)সকলৰ প্ৰশিক্ষণৰ অংশ হিচাবে অক্ষমতা সংক্ৰান্ত সচেতনতাৰ এটা মডুল অন্তৰ্ভুক্ত কৰা হৈছিল। সেয়ে হ’লেও অংগনৱাড়ী কেন্দ্ৰসমূহত বিশেষ অক্ষমতাযুক্ত শিশুৰ ক্ষেত্ৰত প্ৰত্যক্ষভাৱে বিশেষ ব্যৱস্থা গ্ৰহণৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব প্ৰদানৰ ব্যৱস্থা গ্ৰহণ কৰা দেখা পোৱা নাই। পাঁচ বছৰৰ তলৰ শিশুসকলৰ অক্ষমতাসমূহ যথোপযুক্ত প্ৰযুক্তিযুক্ত ব্যৱস্থা আৰু বিশেষ কৌশল প্ৰয়োগ কৰি আগতীয়াকৈ চিনাক্তকৰণ, হস্তক্ষেপকৰণ আৰু উপযুক্ত উদ্দীপনা প্ৰদানৰ ব্যৱস্থা কৰিলে এই সমস্যাসমূহৰ লগত জড়িত দ্বিতীয় পৰ্যায়ভুক্ত বাধাগ্ৰস্ততাৰ বিকাশ আৰু জটিল সমস্যালৈ ৰূপান্তৰ হোৱাৰ ক্ষেত্ৰত প্ৰতিৰোধমূলক ব্যৱস্থা গ্ৰহণ সম্ভৱ হয়।

বহুত পিতৃ-মাতৃয়ে তেওঁলোকৰ শিশুটিক বিশেষ চাহিদাযুক্ত বুলি চিহ্নিত হোৱাটো লজ্জাজনক বুলি ভাবে। তেওঁলোকৰ শিশুটি বিশেষ চাহিদাযুক্ত বুলি বিবেচিত হ’লে তেওঁলোকৰ শিশুটি সম বয়সৰ শিশুৰ বাবে নিৰ্ধাৰিত সাধাৰণ আঁচনি আৰু কাৰ্যসূচীসমূহৰ পৰা বঞ্চিত হ’ব বুলি তেওঁলোক শংকিত হয়। গতিকে ব্যৱহাৰিক উদ্দেশ্যৰ প্ৰতি লক্ষ্য ৰাখি এই শিশুসকলক যিমান সোনকালে সম্ভৱ সিমান সোনকালে চিনাক্তকৰণ কৰি উপযুক্তভাৱে চিহ্নিত কৰিব লাগে যাতে তেওঁলোকে উপযুক্ত সময়ত সুস্থ জীৱন অতিবাহিত কৰিবৰ বাবে উপযুক্ত সাহায্য লাভ কৰিব পাৰে।

এই ক্ষেত্ৰত শিক্ষকৰ ভূমিকা বিশেষ গুৰুত্বপূৰ্ণ। কাৰণ শিক্ষকেই শিশুসকলৰ ক্ষেত্ৰত দেখা পোৱা এনেধৰণৰ বিভিন্ন লক্ষণসমূহ প্ৰত্যক্ষ কৰে, ইয়াৰ পিছত বাচনিৰ উদ্দেশ্যে ফৰ্ম ব্যৱহাৰ কৰে আৰু পৰৱৰ্তী পৰ্যায়ত সমস্যাৰ প্ৰকৃত কাৰণ  ধাৰ্যকৰণৰ বাবে



টোকা

বিশেষজ্ঞৰ ওচৰলৈ প্ৰেৰণ কৰে। আগতীয়া বাল্যকালৰ লেহেমীয়া বিকাশৰ লগত জড়িত কিছুমান বিশেষ সতৰ্কতামূলক লক্ষণ তলত উল্লেখ কৰা হ'ল।

- ডাঙৰ শব্দৰ প্ৰতি প্ৰতিক্ৰিয়াহীন
- তেওঁলোকে নিজৰ হাতখন বিচাৰি নাপায় বা হাতখন নিজৰ মুখলৈ নিব নোৱাৰে।
- চকুৰে কোনো বস্তু অনুসৰণ কৰিব নোৱাৰে বা মূৰটো কোনো শব্দৰ অনুসৰণ বা প্ৰতিক্ৰিয়া হিচাপে ঘূৰাব নোৱাৰে।
- কোনো এটা পুতলা আনিবলৈ যাব নোৱাৰে বা ধৰিব নোৱাৰে।
- অংগ প্ৰত্যংগসমূহ অতি জথৰ বা অতি লেহুকা।
- শৰীৰৰ যিকোনো এটা ফাল অধিক ব্যৱহাৰ কৰিব বিচাৰে।
- সৰু বস্তু ডাঙিব নোৱাৰে।
- সমঞ্জস্যহীন খোজকাটল আৰু সঘনে পৰি যোৱা।
- অনবৰত লেলাৰতী ওলাই থকা।
- আন শিশুৰ লগত খেলিবলৈ আগ্ৰহী নোহোৱা।
- সাধাৰণ নিৰ্দেশনাসমূহ অনুসৰণ কৰিব নোৱাৰা।
- মাকৰ পৰা অলপ আঁতৰত থাকিবলগীয়া হোৱাৰ বা বিচ্ছেদৰ আশংকাত ভোগা।
- অচিনাকী মানুহলৈ ভয় কৰা।
- এটা বল দলিয়াব নোৱাৰা, দৌৰিব নোৱাৰা বা জপিয়াব নোৱাৰা।
- কোনো এটা কাম প্ৰতি অতি সোনকালে আগ্ৰহহীন হৈ পৰা।

## 8.3.4. অক্ষমতা চিনাক্তকৰণ ঃ

অক্ষমতাৰ সময়োপযোগী চিনাক্তকৰণ আৰু ইয়াৰ আনুষাংগিক প্ৰতিৰোধমূলক ব্যৱস্থা গ্ৰহণে ক্ৰিয়ামূলক স্তৰত এই অক্ষমতাৰ প্ৰভাৱ কিছু পৰিমাণে হ্ৰাস কৰাৰ লগতে অক্ষমতাসমূহ গুৰুতৰ ৰূপ লোৱাত বাধা প্ৰদান কৰিব পৰা যায়। প্ৰথম অৱস্থাত এই সমস্যাসমূহ গৃহ পৰিৱেশত পিতৃ-মাতৃৰ দ্বাৰা অতি সোনকালে চিনাক্ত কৰণ কৰাৰ প্ৰয়োজন। ইয়াৰ লগতে অংগনৱাড়ী কেন্দ্ৰ, বিদ্যালয়, উপ-স্বাস্থ্যকেন্দ্ৰ, বিশেষ উদ্দেশ্যেৰে আয়োজন কৰা বিশেষ শিবিৰ ইত্যাদিয়েও এই ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰিব পাৰে। এনেদৰে চিনাক্তকৰণ কৰাৰ পিছত উপযুক্ত হস্তক্ষেপকৰণ ব্যৱস্থাৰ পৰিকল্পনা গ্ৰহণৰ বাবে নিৰ্ধাৰিত ক্ষেত্ৰৰ লগত জড়িত বিশেষজ্ঞসকলৰ দ্বাৰা সমস্যাসমূহৰ সমাধানৰ ক্ষেত্ৰত উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

প্ৰাকপ্ৰাথমিক, উচ্চ প্ৰাথমিক আৰু মাধ্যমিক পৰ্যায়ৰ চৰকাৰী বিদ্যালয়ত কৰ্মৰত শিক্ষকসকলে এই অক্ষমতাযুক্ত শিশুসকলক চিনাক্ত কৰাৰ দায়িত্ব গ্ৰহণ কৰিব লাগে। বিশেষ চাহিদাযুক্ত শিশুসকলক চিনাক্ত কৰিবৰ বাবে ব্যৱহাৰ কৰিব পৰা এখন 'চেকলিষ্ট' তলত দিয়া হ'ল (বিদ্যালয়ৰ শিক্ষক আৰু পিতৃ-মাতৃসকলে এই 'চেকলিষ্ট' ব্যৱহাৰ



টোকা

কৰিব পাৰিব।)

| বিকলতা | **লক্ষণ** | |
|---|---|---|
| দৰ্শন বা দৃষ্টি সম্পৰ্কীয় | • চকুৰ পানী ওলোৱা<br>• সঘনে চকু ৰঙা পৰা<br>• সঘনে খচ্‌খচাই থকা<br>• কেৰা হোৱা<br>• কোনো বস্তুত কাৰণ নোহোৱাকৈ খুণ্ডা মাৰা বা আন মানুহৰ গাত খুন্দা মাৰা।<br>• মূৰ বেঁকা কৰা বা এটা চকু বন্ধ কৰি চোৱা<br>• এক মিটাৰ মান আঁতৰত ৰখা হাতৰ আঙুলিসমূহ গণনা কৰাত অসুবিধা পোৱা।<br>• পঢ়াৰ সময়ত মূৰটো ইফালে সিফালে ল'ৰাই থকা<br>• দূৰৰ বস্তু চিনি পোৱাত অসুবিধা পোৱা<br>• চকুৰে সূক্ষ্মভাৱে চাই কৰিবলগীয়া সূক্ষ্ম কামসমূহ সম্পাদনত অসুবিধা পোৱা।<br>• কিতাপ পঢ়োতে কিতাপখন অতি ওচৰত লোৱা বা দূৰত লোৱা<br>• ব্লেকবোৰ্ডৰ পৰা কোনো টোকা লিখোতে বাৰে বাৰে লগৰ ল'ৰা-ছোৱালীক সুধি থকা।<br>• ব্লেকবোৰ্ডত লিখা কথা পঢ়াত অসুবিধা<br>• কাষৰ বস্তুত খুন্দা মাৰা। | • যদি কোনো শিশুৰ ক্ষেত্ৰত এই অসুবিধাসমূহৰ যিকোনো চাৰিটা উপসৰ্গৰ উপস্থিতি দেখা যায় তেন্তে শিশুটিক বিশেষ অৰ্হতা সম্পন্ন চকু চিকিৎসকৰ দ্বাৰা উপযুক্তভাৱে পৰীক্ষা কৰি নিৰ্ধাৰিত চিকিৎসা বা চচ্‌মা ব্যৱহাৰ কৰি তেওঁৰ অসুবিধা দূৰ কৰিবৰ বাবে যত্ন কৰা উচিত। |
| **শ্ৰৱণ বা শ্ৰৱনেন্দ্ৰিয় সম্পৰ্কীয়** | • কাণৰ গঠনমূলক বিসংগতি<br>• কামৰ পৰা পানী ওলোৱা<br>• কাণৰ বিষ হোৱা<br>• ৰমৰমণি বা খজুৰতি<br>• কম দূৰত্বৰ পৰা শুনিবলৈ যত্ন কৰা<br>• মৌখিকভাৱে দিয়া নিৰ্দেশনা সমূহ বাৰে বাৰে ক'বলৈ অনুৰোধ কৰা।<br>• কোৱা কথা ভালদৰে লিখিব নোৱাৰা<br>• বক্তাৰ কথা শুনাৰ পৰিবৰ্তে তেওঁ কোৱা কথাৰ প্ৰতিধ্বনি শুনিবলৈ যত্ন কৰা। | • এই লক্ষণসমূহৰ তিনিটা বা চাৰিটা লক্ষণ এটা শিশুৰ ক্ষেত্ৰত দেখা পোৱা গ'লে শিশুটিৰ শ্ৰৱণ বা কথন সম্পৰ্কীয় কোনো সমস্যা থকা বুলি জানিব পৰা যায়। এনে ধৰণৰ পৰিস্থিতিত শিশুটোক এজন অভিজ্ঞ |



টোকা



| বিকলতা | **লক্ষণ** | |
|---|---|---|
| **শ্ৰৱণ বা শ্ৰৱনেন্দ্ৰিয় সম্পৰ্কীয়** | • ব্লেকবোৰ্ডৰ পৰা টোকা লিখোতে ভুল কৰা।<br>• লগৰীয়াক সঘনে তেওঁৰ লিখা বহীখন দেখুৱাবলৈ অনুৰোধ কৰা<br>• শ্ৰেণীত মনোযোগ দিয়াত অসুবিধা<br>• কোনো কথা শুনাৰ ক্ষেত্ৰত এখন কাণ অধিক ব্যৱহাৰ কৰাৰ প্ৰৱণতা<br>• পিছফালৰ পৰা মাতিলে শুনাত অসুবিধা।<br>• শিশুটিয়ে অতি ডাঙৰকৈ বা অতি সৰুকৈ কথা কোৱা<br>• স্বৰধ্বনি আৰু শব্দ উচ্চাৰণৰ ক্ষেত্ৰত সমস্যা প্ৰদৰ্শন।<br>• ৰেডিঅ' বা টিভিৰ শব্দৰ মাত্ৰা বৃদ্ধি কৰা<br>• অপ্ৰাসংগিক উত্তৰ<br>• সম-বয়সীয়া শিশুৰ পৰা আঁতৰি থকা<br>• আন এটা ৰূমৰ পৰা শিশুটিক মাতিলে উত্তৰ নিদিয়া। | বিশেষজ্ঞ আৰু অডিঅ'লজিষ্টৰ দ্বাৰা পৰীক্ষা কৰিব লাগে। ইয়াৰ লগতে স্পিচথেৰাপিষ্টৰ দ্বাৰাও সম্পূৰ্ণৰূপে পৰীক্ষা কৰিব লাগে। শিশুটি চাৰি-পাঁচ বছৰৰ কম হ'লে এজন মনোবিজ্ঞানীৰো পৰামৰ্শ ল'ব পৰা যায়। কাৰণ ইয়াৰ দ্বাৰা ইয়াৰ লগত জড়িত কিছুমান মানসিক কাৰণ উদঘাটন কৰিব পৰা যাব। |
| **বাকশক্তি** | • কেইবাবাৰো পুনৰাবৃত্তি কৰাৰ পিছতহে কোনো এটা কথা বুলি পোৱা।<br>• কথা কওঁতে অনুপযুক্ত শব্দ উচ্চাৰণ।<br>• খোনাই খোনাই কথা কোৱা<br>• কেঁচুৱাৰ দৰে কথা কোৱা<br>• শব্দৰ শুদ্ধ উচ্চাৰণ কৰিব নোৱাৰা আৰু ভুল ভুলকৈ কথা কোৱা।<br>• বুজিব নোৱাৰাকৈ কথা কোৱা। | |
| **সঞ্চালনমূলক অক্ষমতা** | • শৰীৰৰ ডিঙি, হাত, আঙুলি, কঁকাল বা ভৰিৰ বিকলাংগতা বা বিকৃতি<br>• বহা, থিয় হোৱা আৰু খোজকঢ়াত অসুবিধা<br>• মজিয়াৰ পৰা কোনো বস্তু উঠোৱা, কোনো এটা বস্তু ধৰা বা, খামুচি ধৰা আদি কাৰ্যত অসুবিধা পোৱা।<br>• শৰীৰৰ কোনো অংগ ব্যৱহাৰ কৰা বা লৰচৰ কৰাৰ ক্ষেত্ৰত সমস্যা | • যদি এই লক্ষণসমূহৰ কোনো লক্ষণ কোনোশিশুৰ ক্ষেত্ৰত দেখা যায় তেন্তে তেওঁক অৰ্হতা সম্পন্ন অস্থি-চিকিৎসাৰ |



টোকা

| বিকলতা | লক্ষণ | |
|---|---|---|
| **সঞ্চালনমূলক অক্ষমতা** | • হাতেৰে কলম ধৰাৰ ক্ষেত্ৰত অসুবিধা পোৱা।<br>• খোজ কাঢ়োতে লাখুটি ব্যৱহাৰ কৰা<br>• খোজকাঢ়োতে জোকাৰ খাই উঠা।<br>• শৰীৰ সঞ্চালনত সমন্বয়হীনতা<br>• মৃগীৰোগীৰ দৰে কম্পন<br>• গাঁঠিৰ বিষ<br>• শৰীৰৰ কোনো অংগচ্ছেদন | চাৰ্জনৰ দ্বাৰা পৰীক্ষা কৰাৰ ব্যৱস্থা কৰিব লাগে। এই বিশেষজ্ঞসকলৰ পৰামৰ্শ অনুযায়ী প্ৰয়োজন অনুযায়ী তেওঁলোকক ফিজিঅ'থেৰাপি আৰু কৃত্ৰিম অংগ, অস্থি সম্পৰ্কীয় প্ৰযুক্তি প্ৰদানৰ ব্যৱস্থা কৰিব লাগে। |
| **সংজ্ঞানাত্মক অক্ষমতা (মানসিক ৰাধাগ্ৰস্ততা)** | • যদি শিশুটিয়ে ১২-১৫ মাহৰ পিছতো সহায় নোহোৱাকৈ বহিব নোৱাৰে।<br>• যদি দুই বছৰ ছয় মাহৰ পিছতো খোজ কাঢ়িব নোৱাৰে।<br>• আঢ়ৈ বছৰৰ পিছতো কথা ক'ব নোৱাৰে।<br>• শিশুটিয়ে ছয় বছৰ মান বয়সতো তলত উল্লেখ কৰা কামবোৰ স্বাধীনভাৱে সম্পাদন কৰিব নোৱাৰে-<br>— খোৱা<br>— সাজ-পোছাক পিন্ধা<br>— শৌচ প্ৰস্ৰাৱ কৰা আদি কাৰ্য<br>• পেঞ্চিল এডাল ধৰাত অসুবিধা অথবা এখন কেচি ব্যৱহাৰ কৰাত অসুবিধা।<br>• বল খেলিব নোৱাৰে বা সমনীয়াৰ লগত কিছুমান বিশেষ খেল খেলিবলৈ অসমৰ্থ।<br>• সমনীয়াৰ লগত খেলা-ধূলা কৰোতে অত্যধিক ক্ৰোধ প্ৰকাশ।<br>• মুখেৰে কোৱা কথাৰ প্ৰতি অমনোযোগিতা।<br>• সাধাৰণ কথা এটা মনত ৰাখিবৰ বাবে বহুবাৰ | • যদি এই নিৰ্ণায়ক কাৰকসমূহৰ প্ৰতি প্ৰদান কৰা যিকোনো চাৰিটা প্ৰশ্নৰ প্ৰতিক্ৰিয়াসমূহ সমবয়সৰ বিদ্যালয়লৈ যোৱা সমনীয়াসকল আৰু একে শ্ৰেণীৰ অন্যান্য শিশুৰ তুলনাত যদি ধনাত্মক হয় তেন্তে শিশুটিক মনোবিজ্ঞানীৰ দ্বাৰা পৰীক্ষা কৰিব লাগে অথবা মানসিকভাৱে প্ৰত্যাহ্বানমূলক শিশুসকলক পৰিচালনা কৰিবৰ বাবে প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ পৰামৰ্শ গ্ৰহণ কৰিব লাগে। |



টোকা

| বিকলতা | **লক্ষণ** | |
|---|---|---|
| **সংজ্ঞানাত্মক অক্ষমতা (মানসিক বাধাগ্রস্ততা)** | পুনৰাবৃত্তিৰ প্ৰয়োজন।<br>● কেৱল মাত্ৰ পাঁচটাকৈ ফল, শাক-পাচলি বা গছ-গছনিৰ নাম ক'বলৈ দিলে ক'ব নোৱাৰে।<br>● সপ্তাহটোৰ দিন কেইটাৰ নাম ক'বলৈ দিলে ক'ব নোৱাৰে।<br>● অন্য সমনীয়াসকলৰ দৰে নিজৰ প্ৰয়োজনীয়তা সমূহ প্ৰকাশ কৰাত অসুবিধা পোৱা<br>● কম সময়ৰ বাবেও কোনো কামত মনোযোগ প্ৰদান কৰিব নোৱাৰে।<br>● অনুপযুক্ত মৌখিক প্ৰতিক্ৰিয়া প্ৰদান।<br>● নতুন বস্তু শিকাত অসুবিধা।<br>● বিদ্যালয়ত শ্ৰেণীকক্ষত শিকোৱা পাঠ ভালদৰে বুজি নোপোৱা।<br>● ধাৰণা গঠনত অসুবিধা<br>● একে বয়সৰ শিশুসকলৰ লগত স্বাচ্ছন্দ্যৰে মিলা মিছা কৰিব নোৱাৰা<br>● সমনীয়াসকলৰ তুলনাত কোনো কথা শিকিবলৈ বা অনুশীলন কৰিবলৈ অধিক সময়ৰ প্ৰয়োজন হোৱা।<br>● দুৰ্বল শৈক্ষিক পাৰদৰ্শিতা।<br>● শিকনৰ ক্ষেত্ৰত দৃশ্য সংকেত বা বিষয়বস্তুৰ ওপৰত অধিক নিৰ্ভৰশীলতাৰ প্ৰদৰ্শন | |
| **শিকন অক্ষমতা** | ● গণনা কৰাত অসুবিধা<br>● বিদ্যালয় বা ঘৰত সকলো কামতেই মনোযোগিতাৰ অভাৱ আৰু পৰিৱেশৰ দ্বাৰা সহজে মনোযোগ বিচ্যুত হোৱা।<br>● শ্ৰেণীত শান্তভাৱে বহি থকাত অসুবিধা।<br>● মুখেৰে কোৱা কথাবোৰ শুদ্ধকৈ লিখিব নোৱাৰা। | ● যদি এই চৰ্তসমূহৰ যিকোনো তিনিটাৰ পৰা পাঁচটা চৰ্ত কোনো শিশুৰ ক্ষেত্ৰত দেখা যায় তেন্তে তেওঁক অভিজ্ঞ মনোবিজ্ঞানী, বিশেষজ্ঞ শিশু চিকিৎসক আৰু |



টোকা

| বিকলতা | লক্ষণ | |
|---|---|---|
| **শিকন অক্ষমতা** | • শুদ্ধ শব্দৰ লগত অপ্ৰয়োজনীয় সংযোজন কৰা, যেনে- স্কুলক ইছস্কুল বুলি কোৱা<br>• সোঁ আৰু বাঁও দিশৰ মাজত সদায় সন্দেহ হোৱা<br>• ভাষিক নিৰ্দেশনা মনত ৰখাত অযুক্তিকৰ ভাৱে অসুবিধাৰ সন্মুখীন হোৱা।<br>• বিষয়বস্তু স্মৰণ কৰাত সাধাৰণ অসুবিধা ভোগা<br>• অত্যন্ত অস্থিৰতা/যি কোনো কাম যথা সময়ত সম্পাদন কৰাত সক্ষম নোহোৱা কৰা<br>• পঢ়োতে আখৰ বা কোনো শব্দ ওভোটাকৈ পঢ়া। যেনে ঃ b ক d, saw ক was বুলি<br>• নম্বৰসমূহ ওভোটাকৈ পঢ়া। যেনে - 31 ক 13, 6 ক 9 ইত্যাদি।<br>• পঢ়োতে বহুত ভুল কৰা যেনে ঃ পঢ়ি থকা অংশৰ সংযোগ হেৰুৱা, পুনৰাবৃত্তি কৰা, শব্দ এৰি যোৱা বেলেগ বিকল্প শব্দ প্ৰয়োগ ইত্যাদি।<br>• গাণিতিক গণনাত দুৰ্বল হোৱা।<br>• দৃষ্টিশক্তি স্বাভাৱিক হোৱা সত্ত্বেও কোনো কিতাপ বা ব্লেকবোৰ্ডৰ পৰা কোনো বিষয় শুদ্ধকৈ লিখাত সমস্যা হোৱা।<br>• আখৰসমূহ অতি লগালগিকৈ বা বহুত ফাঁক ৰাখি লিখা।<br>• শিশুটিয়ে উপযুক্তভাৱে বুজিব পাৰে কিন্তু প্ৰশ্নৰ যথাযথ উত্তৰ প্ৰদানত ব্যৰ্থ হয়। | বিশেষ শিক্ষকৰ দ্বাৰা প্ৰাৰম্ভিকভাৱে বাচি ড ৈ লি য. া হৈ পৰামৰ্শদানৰ ব্যৱস্থা কৰিব লাগে। শিকন অক্ষমতা থকা শিশুসকলৰ অন্যতম বৈশিষ্ট্য হৈছে তেওঁলোকৰ লিখন কৌশলতকৈ কথন কৌশল সাধাৰণতে উন্নত মানৰ হয়। |

## 8.3.2. সমস্যাৰ মূল্য ধাৰ্যকৰণ ঃ

বিশেষ চাহিদাযুক্ত শিশুসকলৰ আগতীয়া চিনাক্তকৰণ আৰু তেওঁলোকৰ সমস্যাসমূহ সমাধানৰ বাবে হস্তক্ষেপকৰণৰ দ্বাৰা বিদ্যালয় পৰিবেশত এই শিশুসকলৰ সমাযোজন আৰু উৎকৃষ্ট কাৰ্য সম্পাদনত সহায় কৰিব পৰা যায়। এই ক্ষেত্ৰত মূল্য



টোকা

ধাৰ্যকৰণ প্ৰক্ৰিয়াৰ দ্বাৰা ব্যক্তিগত শিশুসকলৰ প্ৰকৃত চাহিদাসমূহ নিৰ্ণয় কৰিব পৰা যায়। কিন্তু কিছুমান শিশুৰ শিকন অসুবিধাসমূহ সময় সাপেক্ষ আৰু তেওঁলোকক কম সময়ৰ বাবে সাহায্যৰ প্ৰয়োজন হয়। আনহাতেদি কিছুমান বিশেষ চাহিদাযুক্ত শিশুৰ চাহিদাসমূহ জীৱনজোৰা অৰ্থাৎ গোটেই জীৱনতেই তেওঁলোকক সাহায্যৰ প্ৰয়োজন হয়। কিন্তু তেওঁলোকৰ প্ৰয়োজন বা চাহিদাসমূহ পৰিৱেশ অনুযায়ী বা এই চাহিদাসমূহৰ লগত মোকাবিলা কৰাৰ দক্ষতা বা সক্ষমতাৰ বিকাশৰ মাত্ৰা অনুযায়ী পৰিবৰ্তন হয়। ইয়াৰ উপৰিও আন অনেক কাৰকে শিশুৰ শৈক্ষিক চাহিদাসমূহক প্ৰভাৱিত কৰে। এই ক্ষেত্ৰত বিদ্যালয়ৰ লগত জড়িত সকলো লোক মিলিত হৈ নিয়মীয়াভাৱে এই কাৰকসমূহৰ চিনাক্তকৰণ আৰু এই সম্পৰ্কে আলোচনা কৰি শিশু শিক্ষাৰ আঁচনি সমূহ চাহিদা অনুযায়ী নিৰ্ধাৰণ কৰা উচিত। পিতৃ-মাতৃৰ পৰা বিদ্যালয়ে তেওঁলোকৰ শিশুটিক বিশেষ শিক্ষক বা কিনিচিয়ানৰ বা চিকিৎসকৰ ওচৰলৈ পৰামৰ্শ গ্ৰহণৰ বাবে পঠাবলৈ অনুমতি গ্ৰহণ কৰাৰ পিছত সমস্যাৰ এক মূল্য ধাৰ্যকৰণৰ পৰিকল্পনা তৈয়াৰ কৰাৰ ব্যৱস্থা কৰা হয়। এই ক্ষেত্ৰত পিতৃ-মাতৃসকলক বিভিন্ন প্ৰকাৰৰে জড়িত কৰিব পৰা যায়।

এই ক্ষেত্ৰত আমাৰ মনত প্ৰশ্ন হয় এই মূল্য ধাৰ্যকৰণ প্ৰক্ৰিয়া কেনেদৰে পৰিচালিত কৰা হ'ব? এই ক্ষেত্ৰত এই প্ৰক্ৰিয়াৰ পৰিচালনাৰ বাবে তলত উল্লেখ কৰা প্ৰশ্নসমূহ আমাৰ মনত উদয় হয়।

(১) শিশুটি কোন? — তেওঁৰ আগ্ৰহ, পচন্দ, অপচন্দ তেওঁলোকৰ দক্ষতা বা দুৰ্বলতা বা সবলতাসমূহ কি কি?

(২) শিশুটিৰ বিশেষ চাহিদা কি? — শিশুটিক কিয় বিশেষ শিক্ষাৰ প্ৰয়োজন?

(৩) শিশুৰ পৰিয়ালটো কেনে ধৰণৰ বা তেওঁক সাহায্য কৰা তেওঁলোকক লৈ ব্যক্তিসকলৰ চক্ৰত কোন কোন আছে— তেওঁলোকৰ শিশুটি সম্পৰ্কে আশা-আকাংক্ষা, সপোন, সচেতনতা কেনেধৰণৰ?

(৪) শিশুটিৰ সময়সূচী আৰু দৈনন্দিন কাম-কাজসমূহ কেনেধৰণৰ?

(৫) শিশুটিৰ সময়সূচী বা দৈনন্দিন কাম-কাজসমূহ সাধাৰণভাৱে চাই শিশুটি অধিক কৃতকাৰ্য হ'বৰ বাবে কেনে ধৰণৰ সাহায্যৰ অধিক প্ৰয়োজন হ'ব? যেনে -

— কথন আৰু যোগাযোগ

— সঞ্চালন বা লৰচৰ কৰা আৰু ইফালে সিফালে ঘূৰা

— খেলা-ধূলা আৰু সামাজিকীকৰণ

— শিকন আৰু স্মৰণ

— বিকল্প বাছনি আৰু নিয়ন্ত্ৰণ ক্ষমতা আহৰণ

— বন্ধু-বান্ধৱৰ লগত মিলামিছা কৰা



টোকা

— অধিক আত্মনিৰ্ভৰশীল হোৱা

— আনক সহায় কৰা — ইত্যাদি।

(৬) সাহায্যমূলক প্ৰযুক্তি কৌশল নিৰ্বাচনৰ ক্ষেত্ৰত তলৰ কোনবোৰ আই ই পি লক্ষ্য আৰু উদ্দেশ্য আমি বিচাৰ কৰিব লাগিব? (দুই বা তিনিটাক অগ্ৰাধিকাৰ দিব লাগিব)

— ভাষা আৰু যোগাযোগ

— খেলা-ধূলা আৰু সামাজিকীকৰণ

— পুষ্টি

— চলন আৰু অৱস্থান গ্ৰহণ

— প্ৰস্তুতকৰণৰ দক্ষতা

— আত্ম সাহায্য

— দৈনন্দিন জীৱনৰ কাম-কাজ

— আচৰণ

— বন্ধুবৰ্গৰ চক্ৰ

এই ক্ষেত্ৰত শিশুসকলৰ চাহিদা অনুযায়ী বিশেষ শিক্ষক, পঠন চিকিৎসক (ক্লিনিচিয়াল), কথন আৰু ভাষা ৰোগ বিশেষজ্ঞ, মনোবিজ্ঞানী, পেছা সংক্ৰান্তীয় নিদানকাৰী ইত্যাদি অনেক বিশেষজ্ঞৰ সাহায্য গ্ৰহণ কৰিব লগা হ'ব পাৰে।

এই বিশেষজ্ঞ ব্যক্তিসকল শিশুসকলৰ বিকাশমূলক দিশৰ বিভিন্ন ক্ষেত্ৰসমূহ সূক্ষ্মভাৱে বিচাৰ কৰি চাবৰ বাবে বিশেষ দক্ষতাযুক্ত। উদাহৰণ স্বৰূপে এজন মনোবিজ্ঞানীয়ে শিশুৰ বৌদ্ধিক বা সংজ্ঞানাত্মক দিশৰ ক্ষমতা বা সম্ভাৱনীয়তাসমূহ বিচাৰ কৰি চাব পাৰে। এজন শ্ৰেণী শিক্ষক বা বিশেষ শিক্ষকে শিশুৰ শিকন দক্ষতাসমূহ বিচাৰ কৰিব পাৰে। শিক্ষকসকলে প্ৰাৰম্ভিক অৱস্থাত শিশুৰ অক্ষমতাসমূহ বিচাৰ কৰণৰ বাবে প্ৰথমে এখন প্ৰশ্নাৱলী ব্যৱহাৰ কৰিব পাৰে (পৰিশিষ্টত দিয়া হৈছে)

শিশুৰ বাবে মূল্য ধাৰ্যকৰণ পৰিকল্পনা সম্পূৰ্ণকৰণৰ আৰু সকলো দিশৰ বিচাৰকৰণ কাৰ্য সম্পাদন কৰাৰ পিছত বিদ্যালয়ে পিতৃ-মাতৃৰ লগত যোগাযোগ কৰি এখন সভাৰ আয়োজন কৰিব লাগে। এই সভাত বিদ্যালয়ৰ শিক্ষক সকলো উপস্থিত থাকে আৰু সভাত এই বিচাৰকৰণ প্ৰক্ৰিয়াৰ জড়িত শিক্ষকসকলে তেওঁলোকে এই বিচাৰকৰণ প্ৰক্ৰিয়াৰ প্ৰাপ্ত ফলাফল সম্পৰ্কে ব্যাখ্যা কৰে। ইয়াৰ লগতে এই শিশুসকলৰ সম্পৰ্কে আগবঢ়োৱা পৰামৰ্শসমূহো আলোচনা কৰা হয় আৰু এই সম্পৰ্কত সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত পিতৃ-মাতৃ সকলকো জড়িত কৰা হয়। এই ক্ষেত্ৰত পিতৃ-মাতৃ, শিক্ষক আৰু শিশুৰ লগত জড়িত আন ব্যক্তিসকলৰ বাবে সহজে উপলব্ধ হোৱাকৈ এই সিদ্ধান্তসমূহৰ এখন লিখিত প্ৰতিবেদন তৈয়াৰ কৰা হয়।

## 8.3.3. আগতীয়া হস্তক্ষেপকৰণ

আগতীয়া হস্তক্ষেপকৰণৰ উদ্দেশ্য হৈছে বিশেষ চাহিদাযুক্ত শিশুসকলক নিচেই সৰু অৱস্থাতেই তেওঁলোকৰ সমস্যাসমূহৰ প্ৰভাৱ কিছু হ্ৰাস কৰিবৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা। এই উদ্দেশ্যৰে প্ৰদান কৰা সেৱাসমূহৰ ভিতৰত বাকধ্বনি, দৈহিক বা পেছাগত চিকিৎসা ইত্যাদি দিশসমূহ অন্তৰ্ভুক্তি। এই সেৱাসমূহ ঘৰ বা অফিচত প্ৰদান কৰিব পৰা যায়।

এই ক্ষেত্ৰত আশা কৰা যায় যে এই ব্যৱস্থাসমূহ সোনকালে গ্ৰহণ কৰিলে শিশুৰ বিকাশমূলক দিশটোত কোনো ব্যাঘাতৰ সৃষ্টি নহ'ব। ইয়াৰ ফলত শিশুটিৰ বাবে ভৱিষ্যতে কোনো চিকিৎসা ব্যৱস্থাৰ প্ৰয়োজন নহ'ব। ইয়াৰ পিছত শিশুটি বিদ্যালয়লৈ যোৱাৰ পিছত কোনো বিশেষ চিকিৎসা ব্যৱস্থাৰ প্ৰয়োজন হয় তেন্তে বিশেষ চাহিদাৰ পৰিপ্ৰেক্ষিতত প্ৰতিকাৰমূলক বিদ্যালয়ৰ ব্যৱস্থা কৰিব পৰা যায়। বিদ্যালয়সমূহৰ বহুতত চিকিৎসা প্ৰদানকাৰীসকলে প্ৰতিকাৰমূলক পাঠ্যক্ৰম অনুযায়ী শিশুসকলক সেৱা আগবঢ়ায়।

**আগতীয়া হস্তক্ষেপকৰণৰ গুৰুত্ব ঃ**

সাধাৰণতে তিনিটা কাৰণৰ পৰিপ্ৰেক্ষিতত বিশেষ চাহিদাযুক্ত শিশুসকলৰ বাবে যিমান পাৰি সিমান সোনকালে আগতীয়া হস্তক্ষেপকৰণৰ ব্যৱস্থা গ্ৰহণ কৰাৰ প্ৰয়োজন হয়।

এই ব্যৱস্থাই শিশুৰ বিকাশত সহায় কৰে। এই ব্যৱস্থা কেৱল শিশুটিৰ বাবেই নহয় সমগ্ৰ পৰিয়ালৰ বাবেই এক সাহায্য প্ৰদান ব্যৱস্থা। এই ব্যৱস্থা গ্ৰহণে এটি শিশুক সমাজৰ এজন কাৰ্যকৰী সদস্য হিচাবে গঢ় দিয়াত সহায় কৰে। এই হস্তক্ষেপকৰণ প্ৰক্ৰিয়াত তলত উল্লেখ কৰা দলীয় কামকাজবোৰ অন্তৰ্ভুক্ত—

- হস্তক্ষেপকৰণ ব্যৱস্থাৰ পৰিকল্পনাৰ এক নক্সা তৈয়াৰ কৰা।
- পিতৃ-মাতৃৰ পৰামৰ্শ আৰু অংশগ্ৰহণ নিশ্চিতকৰণ
- উপযুক্ত মাধ্যম সৃষ্টি কৰা আৰু চিনাক্তকৰণ কৰি উলিওৱা।
- উপযুক্ত সামগ্ৰী সৃষ্টি আৰু চিনাক্তকৰণ কৰি উলিওৱা।
- ব্যৱসায়িক বা স্থানীয়ভাৱে প্ৰস্তুত কৰা উভয় প্ৰকাৰ উপযুক্ত সাহায্যকাৰী প্ৰযুক্তিৰ সৃষ্টি আৰু চিনাক্তকৰণ কৰি বিচাৰি উলিওৱা (চাবিদিয়া পুতলা)
- ন্যূনতম চাৰি সপ্তাহৰ বাবে প্ৰতিদিনৰ পৰিকল্পনা কাৰ্যকৰী কৰা।
- শিক্ষাৰ্থীৰ শিকন ফলশ্ৰুতিৰ মূল্যায়ন আৰু
- 'পিছৰ পৰ্যায়'-ৰ উপযুক্ত সাহায্যকাৰী প্ৰযুক্তিগত সাহায্য আগবঢ়োৱাৰ আঁচনি গ্ৰহণ।


টোকা

হস্তক্ষেপকৰণ ব্যৱস্থা বিদ্যালয়ভিত্তিক বা গৃহভিত্তিক হ'ব পাৰে। কিন্তু এই দুয়োক্ষেত্ৰত ইয়াৰ সাধাৰণ উদ্দেশ্য হৈছে— সমন্বিত ৰূপত ধনাত্মক আচৰণমূলক সাহায্য প্ৰদানৰ যোগেদি শিশুটিক বিদ্যালয়ৰ কাম-কাজ কৃতকাৰ্যতাৰে সম্পাদনত সহায় কৰা। ইয়াৰ দীৰ্ঘম্যাদী ফলশ্ৰুতি হৈছে প্ৰাক-কিণ্ডাৰ গাৰ্টেনৰ পৰা কিণ্ডাৰগাৰ্টেন পৰ্যন্ত বিশেষ অক্ষমতাযুক্ত বা অক্ষমতাযুক্তৰ সম্ভাৱনীয়তা বহন কৰা কম বয়সীয়া শিশুসকলৰ সংজ্ঞানাত্মক, ভাষিক, সামাজিক আৰু আবেগিক চাহিদাসমূহ পূৰণৰ বাবে উপযুক্ত বুলি বিবেচিত বিভিন্ন আহিলা আৰু কৌশলৰ (পৰিমাপ আহিলা, প্ৰাক বিদ্যালয় পাঠ্যক্ৰম ইত্যাদি) বিকাশ সাধন।

প্ৰতিটো শিশু তেওঁলোকৰ ক্ষমতা আৰু বিকলতাৰ দিনৰ পৰা ব্যক্তিগতভাৱে পৃথক। এই ক্ষেত্ৰত ব্যক্তিগত শিক্ষা পৰিকল্পনা ব্যৱহাৰ কৰিব পৰা যায়। ইয়াৰ অন্তৰ্ভুক্ত কাৰ্যাৱলীসমূহ সহজৰ পৰা জটিল বিধৰ হ'ব পাৰে। এই ক্ষেত্ৰত প্ৰতিটো শিশুৰ প্ৰতি লক্ষ্য ৰাখি পাঠ্যক্ৰমৰ পৰিকল্পনাৰ ক্ষেত্ৰত শিক্ষকে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। শিশুৰ চাহিদা সাপেক্ষে পাঠ্যক্ৰম পৰিকল্পনাত শিক্ষকৰ পৰ্যবেক্ষণ বিশেষ তাৎপৰ্যপূৰ্ণ।

## 8.4. অক্ষমতা আইন আৰু নীতি ঃ

'Person with Disability Act, 1995' নামৰ আইনখন ইয়াৰ প্ৰয়োগলব্ধ অভিজ্ঞতা, অক্ষমতাৰ ক্ষেত্ৰত হোৱা বিকাশ আৰু 'U.N. convention on the Right of person with disabilities (UNCRPD) -ৰ ভিত্তিত নবীকৰণৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল। এতিয়া আনি এই সংক্ৰান্ত চলিত আইন আৰু নীতিসমূহৰ বিষয়ে আলোচনা কৰিম।

**অক্ষমতাযুক্ত ব্যক্তিসকল সম্পৰ্কীত মানৱ অধিকাৰসমূহ কি কি?**

সমাজৰ প্ৰতিজন ব্যক্তিৰে সমান মানৱ অধিকাৰ আছে। এই অধিকাৰসমূহৰ ভিতৰত পৌৰ, সাংস্কৃতিক, অৰ্থনৈতিক, ৰাজনৈতিক, আৰু সামাজিক অধিকাৰ অন্তৰ্ভুক্ত। এই অধিকাৰসমূহৰ অন্তৰ্ভুক্ত অধিকাৰসমূহ তলত উল্লেখ কৰা হ'ল—

- বৈষম্যহীনভাৱে আইনৰ আগত সকলো সমান
- ব্যক্তিৰ জীৱন, স্বাধীনতা আৰু নিৰাপত্তাৰ অধিকাৰ
- আইন আৰু আইনী ক্ষমতাৰ ক্ষেত্ৰত বা সন্মুখত সমান স্বীকৃতি
- যন্ত্ৰণাৰ পৰা মুক্ত হোৱা
- শোষণ, হিংস্ৰতা/উৎপীড়ন আৰু অপব্যৱহাৰৰ পৰা মুক্ত হোৱা
- দৈহিক আৰু মানসিক সততাক শ্ৰদ্ধা কৰাৰ অধিকাৰ
- স্থানৰ পৰিবৰ্তন আৰু জাতীয়তাবোধৰ স্বাধীনতা
- সমাজত বাস কৰাৰ অধিকাৰ
- প্ৰকাশ আৰু মতামত প্ৰদানৰ অধিকাৰ
- গোপনীয়তাৰ প্ৰতি শ্ৰদ্ধা
- নিজৰ ঘৰখন আৰু পৰিয়ালৰ প্ৰতি শ্ৰদ্ধা


টোকা



- শিক্ষাৰ অধিকাৰ
- স্বাস্থ্যৰ অধিকাৰ
- কাম কৰাৰ অধিকাৰ
- উপযুক্ত মানদণ্ডযুক্ত জীৱন নিৰ্বাহৰ অধিকাৰ
- ৰাজনৈতিক আৰু ৰাজহুৱা জীৱনত অংশগ্ৰহণৰ অধিকাৰ
- সাংস্কৃতিক জীৱনত অংশগ্ৰহণৰ অধিকাৰ

সকলো প্ৰকাৰৰ অক্ষমতাযুক্ত শিশুৰেই বৈষম্যহীনভাৱে এই অধিকাৰসমূহ উপভোগ কৰাৰ অধিকাৰ আছে। এইক্ষেত্ৰত অক্ষমতাসমূহৰ পৰিপ্ৰেক্ষিতত বৈষম্যৰ পৰা মুক্ত হোৱাৰ অধিকাৰ লাভ কৰাৰ লগতে, জাতি, বৰ্ণ, লিংগ, ভাষা, ধৰ্ম, ৰাজনৈতিক বা আন মতাদৰ্শ গ্ৰহণ, সন্মতি, জন্ম ইত্যাদি ক্ষেত্ৰতো বৈষম্যযুক্ত হোৱাত গুৰুত্ব দিয়া হয়।

## 8.4.1. অক্ষমতাযুক্ত ব্যক্তিৰ অধিকাৰ চুক্তি বা নিয়ম পত্ৰ ঃ

অক্ষমতাযুক্ত ব্যক্তিৰ অধিকাৰ নিয়ম পত্ৰ হৈছে এক আন্তৰ্জাতিক পৰ্যায়ৰ চুক্তি। ইয়াৰ দ্বাৰা অক্ষমতাযুক্ত ব্যক্তিসকলৰ অধিকাৰসমূহ চিনাক্ত কৰাৰ লগতে এই অধিকাৰ সমূহ উন্নীত কৰা, সংৰক্ষণ কৰা আৰু নিশ্চিতকৰণৰ বাবে ৰাষ্ট্ৰযন্ত্ৰৰ দায়িত্ব আৰু কৰ্তব্যসমূহো নিৰ্দেশ কৰা হৈছে। এই নিয়মপত্ৰত অধিকাৰসমূহ প্ৰয়োগ কৰিবৰ বাবে দুই ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছিল-

(১) অধিকাৰ সমূহৰ প্ৰয়োগ চোৱাচিতা কৰিবৰ বাবে 'অক্ষমতা যুক্ত ব্যক্তিৰ অধিকাৰৰ কমিতি'-গঠন আৰু

(২) 'ৰাজ্যিক দলীয় সন্মিলন'-গঠন। ইয়াৰ উদ্দেশ্য হৈছে নিয়মসমূহ প্ৰয়োগ ব্যৱস্থাৰ সম্পৰ্কে সিদ্ধান্ত গ্ৰহণ।

ৰাষ্ট্ৰই এই নিয়ম বা চুক্তি পত্ৰ ৰূপায়ণৰ ক্ষেত্ৰত নাগৰিক সমাজ, বিভিন্ন সংগঠন, জাতীয় মানৱ অধিকাৰ অনুষ্ঠানসমূহ আৰু চৰকাৰী সংগঠনৰ মাজত আন্তঃ সম্পৰ্ক স্থাপনৰ ক্ষেত্ৰত মধ্যস্থতাকাৰীৰ ভূমিকা গ্ৰহণ কৰে। ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদে এই নিয়মাৱলী খন ২০০৬ চনৰ ১৩ ডিচেম্বৰ তাৰিখে গ্ৰহণ কৰে আৰু ২০০৭ চনৰ ৩০ মাৰ্চ তাৰিখে সাক্ষৰৰ বাবে মুকলি কৰি দিয়ে। এই নিয়মাৱলী আনুষ্ঠানিকভাৱে সমৰ্থন কৰা ৰাষ্ট্ৰসমূহ এই নিয়মাৱলীৰ সন্নিবিষ্ট মানদণ্ডসমূহ আইনগতভাৱে সন্মান জনাবলৈ দায়বদ্ধ হ'ব লাগে। আন ৰাষ্ট্ৰসমূহৰ ক্ষেত্ৰত এই নিয়মাৱলী এক আন্তৰ্জাতিক মানদণ্ড হিচাবে বিবেচনা কৰা হয় আৰু এই মানদণ্ডক ৰাষ্ট্ৰসমূহৰ শ্ৰদ্ধা কৰাৰো আশা কৰা হয়। প্ৰচলিত আইনখন বৰ্তমান সংশোধন কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এই অধ্যায়ত সংশোধনৰ পূৰ্বৰ আইনখনৰ বিষয়েহে আলোচনা কৰা হৈছে।

দক্ষিণ এছিয়াৰ প্ৰায়বোৰ দেশতে অক্ষমতা হৈছে এক ৰাষ্ট্ৰৰ বিচাৰধীন বিষয়। এইক্ষেত্ৰত স্থানীয় চৰকাৰে UNCRPDৰ প্ৰতিশ্ৰুতিসমূহ কাৰ্যকৰীভাৱে ৰূপায়ণৰ দায়িত্ব বহন কৰিব লাগে। উদাহৰণ স্বৰূপে ভাৰতবৰ্ষৰ সংবিধানে বিভিন্ন বিষয়সমূহ (১)



টোকা

কেন্দ্ৰীয় (২) ৰাজ্যিক আৰু সমবৰ্তী সূচীত ভাগ কৰি কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত ক্ষমতাৰ বিভাজন কৰিছে। ইয়াৰ অৰ্থ হৈছে UNCRPDৰ প্ৰয়োগৰ ক্ষেত্ৰত ৰাষ্ট্ৰৰ যি দায়িত্ব সেই দায়িত্ব ৰাষ্ট্ৰ আৰু ৰাজ্যিক চৰকাৰৰ মাজত বিভাজিত হৈ থাকে। নিম্ন পৰ্যায়ত স্বায়ত্ত শাসিত অনুষ্ঠান গাঁও পঞ্চায়তসমূহে অক্ষমতাৰ সমস্যাসমূহৰ দায়িত্ব বহন কৰিব লাগে। আমি জানো যে ভাৰতবৰ্ষত ইতিমধ্যে 'অক্ষমতাৰ আইন ভাৰত' গৃহীত হৈছে। ইয়াত ওপৰত উল্লেখ কৰা দিশসমূহৰ এক সংমিশ্ৰণ দেখা যায়। ইয়াত অক্ষমতা সংক্ৰান্তৰ নীতি, পৰিকল্পনা আৰু আইন-কানুন আদি একত্ৰিতভাৱে সন্নিবিষ্ট কৰা হৈছে।

## 8.4.2. অক্ষমতাযুক্ত ব্যক্তি আইন, 1995 :

অক্ষমতাৰ অৰ্থ এই অক্ষমতাযুক্ত ব্যক্তি আইন, 1995 আইনত তলত দিয়া ধৰণৰে আগবঢ়োৱা হৈছে—

- অন্ধতা পূৰ্ণ দৃষ্টিহীনতা
- ক্ষীণ দৃষ্টি ব্যক্তিয়ে উপযুক্ত সাহায্যকাৰী আহিলাৰ দ্বাৰা কোনো কৰ্ম কৰিবলৈ সমৰ্থ হোৱা।
- লেপ্ৰচি নিৰাময় ঃ আৰোগ্য বা নিৰাময় কৰা হ'লেও হাত-ভৰিৰ সংবেদনহীনতাৰ লগতে চকু আৰু চকুৰ পতাৰ সংবেদনহীনতা আৰু পেৰেলাইচিচ।
- শ্ৰৱণ বিকলতা - বাৰ্তালাপৰ ক্ষেত্ৰত ৬০ডেচিবেল বা ইয়াৰ অধিক হ্ৰাস পোৱা।
- সঞ্চালনমূলক অক্ষমতা ঃ অস্থি সন্ধি, মাংসপেশী বা চেৰিব্ৰেল পালচিৰ বাবে হোৱা অংগ প্ৰতংগৰ লক্ষণীয় সঞ্চালনজনিত অক্ষমতা।
- মানসিক অসুস্থতা- মানসিক বাধাগ্ৰস্ততাৰ বাহিৰে আন যিকোনো বিসংগতি।
- মানসিক বাধাগ্ৰস্ততা এজন ব্যক্তিৰ মনৰ বাধাপ্ৰাপ্ত বা সম্পূৰ্ণ বিকাশহীন অৱস্থা।

এজন অক্ষমতাযুক্ত বুলি বিবেচিত ব্যক্তি স্বাস্থ্য বিভাগৰ কৰ্তৃপক্ষৰ দ্বাৰা অতি কমেও ৪০ শতাংশ অক্ষমতাযুক্ত বুলি বিবেচিত হ'ব লাগিব।

অক্ষমতাৰ প্ৰতিৰোধ আৰু আগতীয়া চিনাক্তকৰণ ঃ নিৰ্ধাৰিত চৰকাৰ আৰু স্থানীয় কৰ্তৃপক্ষসমূহে তেওঁলোকৰ অৰ্থনৈতিক সামৰ্থ আৰু বিকাশ অনুযায়ী অক্ষমতা প্ৰতিৰোধৰ বাবে তলত ব্যৱস্থাসমূহ গ্ৰহণ কৰিব লাগে-

(ক) অক্ষমতাৰ কাৰণ উদঘাটনৰ বাবে এই দিশবোৰ বিভিন্ন দিশ সংক্ৰান্তৰ জৰীপ, অনুসন্ধান আৰু গৱেষণাৰ ব্যৱস্থা হাতত ল'ব লাগে।

(খ) অক্ষমতাৰ সম্ভাৱনাযুক্ত শিশুসকলক চিনাক্তকৰণ কৰিবৰ বাবে বছৰত কমেও এবাৰ বাছনিমূলক অভীক্ষা প্ৰয়োগ কৰিব লাগে।

- প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ কৰ্মীসকলক প্ৰশিক্ষণৰ সুবিধা প্ৰদান কৰিব লাগে।
- সচেতনতামূলক প্ৰচাৰৰ পৃষ্ঠপোষকতা কৰা বা কৰিবলৈ বাধ্য কৰা বা সাধাৰণ স্বাস্থ্য, স্বাস্থ্য ৰক্ষা আৰু পৰিষ্কাৰ পৰিচ্ছন্নতা সম্পৰ্কে তথ্যৰ প্ৰচাৰ কৰা বা তথ্য

টোকা

প্ৰচাৰ কৰিবলৈ বাধ্য কৰা।

- জন্মৰ পূৰ্বৰ, জন্মাৱস্থাৰ আৰু জন্মোত্তৰ অৱস্থাত মাতৃ আৰু শিশুৰ যত্ন লোৱা।
- প্ৰাক বিদ্যালয়, প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ, গাঁও পৰ্যায়ৰ কৰ্মী আৰু অংগনৱাড়ী কৰ্মীসকলৰ সাহায্যত জনসাধাৰণক সচেতন কৰি তোলা।
- টেলিভিচন, ৰেডিঅ' আৰু আন জনসংযোগ মাধ্যমৰ জৰিয়তে অক্ষমতাৰ কাৰণসমূহ আৰু ইয়াৰ প্ৰতিৰোধ ব্যৱস্থাসমূহ সম্পৰ্কে সচেতনতাৰ সৃষ্টি কৰা।
- **শিক্ষা** ঃ কেন্দ্ৰীয় চৰকাৰ, ৰাজ্যিক চৰকাৰ আৰু স্থানীয় কৰ্তৃপক্ষসমূহে অক্ষমতাযুক্ত প্ৰতিটো শিশুকে ১৮ বছৰ বয়সলৈকে বিনামূলীয়া আৰু উপযুক্ত শিক্ষা প্ৰদান নিশ্চিত কৰিব লাগে।
- **নিয়োগ ব্যৱস্থা** ঃ

চৰকাৰে বিশেষ অক্ষমতাযুক্ত ব্যক্তিসকলৰ বাবে উপযুক্ত কিছুমান নিৰ্ধাৰিত চাকৰি সংৰক্ষণৰ ব্যৱস্থা কৰিব লাগে। এই সংৰক্ষণ তিনি শতাংশৰ কম হ'ব নালাগে আৰু ইয়াৰে এক শতাংশ তলত উল্লেখ কৰা বিশেষ অক্ষমতাযুক্ত ব্যক্তিসকলৰ বাবে সংৰক্ষিত ৰাখিব লাগে।

১ : অন্ধ বা ক্ষীণ দৃষ্টিসম্পন্ন ব্যক্তি

২ : শ্ৰৱণ অক্ষমতা

৩ : সঞ্চালকমূল অক্ষমতা বা চেৰিব্ৰেল পাল্‌চি

**ইতিবাচক/স্বীকৃতিসূচক কাৰ্যাৱলী ঃ**

চৰকাৰে অক্ষমতাযুক্ত ব্যক্তিসকলক বিভিন্ন আহিলা আৰু সা-সঁজুলি প্ৰদান কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। ইয়াৰ উপৰিও এইসকলক বসবাসৰ বাবে, ব্যৱসায়-বাণিজ্যৰ বাবে, বিশেষ আমোদ-প্ৰমোদ কেন্দ্ৰ স্থাপনৰ বাবে, বিশেষ বিদ্যালয় স্থাপনৰ বাবে গৱেষণা কেন্দ্ৰ স্থাপনৰ বাবে আৰু এই লোকসকলৰ দ্বাৰা পৰিচালিত কোনো উৎপাদনকেন্দ্ৰ স্থাপনৰ বাবে চৰকাৰে ৰেহাই মূল্যত ভূমি আৱণ্টনৰ ব্যৱস্থা কৰিব লাগে।

**বৈষম্যহীনতা** ঃ 'হুইল চেয়াৰ'ত চলাফুৰা কৰা ব্যক্তি আৰু আন অক্ষমতাযুক্ত ব্যক্তিসকলে যাতে চলাফুৰা কৰাৰ ক্ষেত্ৰত কোনো অসুবিধা নাপায়, তাৰ প্ৰতি লক্ষ্য ৰাখি চৰকাৰী পৰিবহণ আৰু যাতায়াত ব্যৱস্থাসমূহত বিশেষ সা-সুবিধাৰ ব্যৱস্থা কৰিব লাগে।

চৰকাৰ আৰু স্থানীয় কৰ্তৃপক্ষসমূহে তেওঁলোকৰ ক্ষমতা অনুযায়ী ৰাস্তাত ৰঙা লাইটৰ লগতে শব্দ সংকেত প্ৰদান কৰাৰ ব্যৱস্থা কৰা, ৰাস্তাৰ ক্ৰচিংসমূহ 'হুইল চেয়াৰ'ৰ ব্যৱহাৰকাৰীৰ প্ৰয়োজন অনুযায়ী তৈয়াৰ কৰিব লাগে আৰু জেব্ৰা ক্ৰচিংসমূহ অন্ধলোকসকলৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি ওখ ওখকৈ প্ৰস্তুত কৰিব লাগে। অক্ষমতাযুক্ত ব্যক্তিসকলৰ বাবে নিৰ্ধাৰিত স্থানত সাৱধানতামূলক সংকেত প্ৰদান কৰিব লাগে। ঘৰ-দুৱাৰ আৰু 'টয়লেট'সমূহ ব্যৱহাৰ কৰিবৰ বাবে প্ৰৱেশদ্বাৰসমূহ এঢলীয়া কৰি তৈয়াৰ কৰিব লাগে যাতে 'হুইল চেয়াৰ' ব্যৱহাৰকাৰী ব্যক্তিসকলৰ বাবে কোনো অসুবিধা নহয়। চাকৰিকালীন অৱস্থাত কোনো ব্যক্তি অক্ষমতাৰ সন্মুখীন হ'লে তেওঁক


টোকা

চাকৰিৰ পৰা ইয়াৰ অজুহাত অব্যাহতি দিব নোৱাৰিব। সেইদৰেই কোনো নিয়োগকাৰীয়ে অক্ষমতাৰ পৰিপ্ৰেক্ষিতত কোনো ব্যক্তিক চাকৰিৰ পদোন্নতিৰ পৰা বঞ্চিত কৰিব নোৱাৰিব। কিন্তু তেওঁলোকৰ অক্ষমতাৰ প্ৰকৃতি অনুযায়ী উপযুক্ততা বিচাৰ কৰি ভিন ভিন কাম প্ৰদান কৰিব লাগে।

**গৱেষণা আৰু মানৱশক্তি বিকাশ ঃ**

চৰকাৰ আৰু স্থানীয় কৰ্তৃপক্ষসমূহে অক্ষমতা প্ৰতিৰোধ, অক্ষম লোকসকলৰ পুনঃ সংস্থাপন, তেওঁলোকৰ সাহায্যকাৰী আহিলাৰ বিকাশ, অক্ষমতাযুক্ত ব্যক্তিৰ নিয়োগ, বিভিন্ন ফেক্টৰী আৰু কাৰ্যালয়ত অক্ষমতাৰ পৰিপ্ৰেক্ষিতত পূৰ্ব প্ৰস্তুতি হিচাপে কাঠামোগত দিশ সংক্ৰান্তীয় বিষয়ত গৱেষণাৰ ব্যৱস্থা কৰিব লাগে।

**অত্যধিক অক্ষমতাযুক্ত ব্যক্তিৰ বাবে অনুষ্ঠান ঃ**

এজন ব্যক্তি যদি কোনো এটা বা ততোধিক ক্ষেত্ৰত আশী শতাংশৰ অধিক অক্ষমতাত ভোগে তেন্তে তেওঁক নিৰ্ধাৰিত ক্ষেত্ৰত অত্যাধিক অক্ষমতা যুক্ত ব্যক্তি বুলি কোৱা হয়। চৰকাৰে এই লোকসকলৰ বাবে বিশেষ অনুষ্ঠান প্ৰতিষ্ঠাৰ ব্যৱস্থা কৰিব লাগে। যি ক্ষেত্ৰত চৰকাৰী মানদণ্ডৰ সমতুল্য এনে কোনো ব্যক্তিগত শিক্ষানুষ্ঠান আছে, এই অনুষ্ঠানসমূহক অত্যধিক অক্ষমতাযুক্ত ব্যক্তিৰ অনুষ্ঠান হিচাবে স্বীকৃতি প্ৰদান কৰিব লাগে।

- **অক্ষমতাযুক্ত ব্যক্তিসকলৰ বাবে মুখ্যআয়ুক্ত আৰু আয়ুক্ত ঃ**

কেন্দ্ৰীয় চৰকাৰে এই আইন বলবৎ কৰিবৰ বাবে অক্ষমতাযুক্ত ব্যক্তিসকলৰ বাবে মুখ্য আয়ুক্ত নিযুক্ত কৰিব লাগে। এই মুখ্য আয়ুক্তগৰাকীয়ে আয়ুক্তসকলৰ লগত সমন্বয় ৰক্ষা কৰাৰ লগতে অক্ষমতাযুক্ত ব্যক্তিসকলৰ বাবে কেন্দ্ৰীয় চৰকাৰে প্ৰদান কৰা পুঁজিৰ ব্যৱহাৰ সম্পৰ্কীয় দিশৰো চোৱাচিতা কৰিব। তেওঁ এইলোকসকলেও অধিকাৰ আৰু সা-সুবিধাসমূহ উপভোগ কৰিব পাৰিছে নে নাই তাক নিশ্চিত কৰিব লাগে। মুখ্য আয়ুক্তই এই আইন বলবৎ সম্পৰ্কীয় একোখন বাৰ্ষিক প্ৰতিবেদন কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাখিল কৰিব লাগে।

## 8.4.3. অক্ষমতাযুক্ত ব্যক্তিৰ অধিকাৰ বিধেয়ক ২০১১ :

প্ৰস্তাৱিত এই বিধেয়কখনে অক্ষমতাযুক্ত ব্যক্তিসকলক সম অধিকাৰক আৰু অক্ষমতাযুক্ত অধ্যয়ন কেন্দ্ৰ দ্বাৰা প্ৰস্তুত কৰা NALSAR আইন বিশ্ববিদ্যালয়ক স্বীকৃতি প্ৰদান কৰে। 'অক্ষমতাযুক্ত ব্যক্তি আইন ১৯৯৫'-এ অক্ষমতাৰ বিকলতা ভিত্তিক এক সামগ্ৰিক সংজ্ঞা আগবঢ়াইছিল। ইয়াৰ ফলত এই আইনত বিশেষভাৱে উল্লেখ নকৰা বিকলতাযুক্ত লোকসকল এই আইনৰ দ্বাৰা প্ৰদত্ত অধিকাৰ আৰু সুযোগ সুবিধাৰ পৰা বঞ্চিত হ'ব লগা হৈছিল।

**প্ৰস্তাৱিত আইনৰ মূল বৈশিষ্ট্যসমূহ হৈছে-**

- অক্ষমতাযুক্ত সকলো ব্যক্তিকে সমতা আৰু বৈষম্যহীনতাৰ নিশ্চয়তা প্ৰদান - 'অক্ষমতাযুক্ত ব্যক্তিৰ অধিকাৰ বিধেয়ক, ২০১১'



টোকা

- অক্ষমতাযুক্ত সকলো ব্যক্তিৰে আইনী সুৰক্ষা ব্যৱস্থাসমূহৰ স্বীকৃতি প্ৰদান কৰা আৰু এই আইনী সুৰক্ষা ব্যৱস্থাসমূহ প্ৰয়োজনীয় ক্ষেত্ৰত প্ৰয়োগৰ ব্যৱস্থা কৰা।
- অক্ষমতাযুক্ত মহিলাসকলে সন্মুখীন হোৱা বহুমুখী আৰু অধিক শোচনীয় বৈষম্যসমূহ চিনাক্তকৰণ কৰা আৰু অধিকাৰ আৰু হস্তক্ষেপকৰণ প্ৰক্ৰিয়াত লিংগ বৈষম্যভিত্তিক এক বুজাপৰা কৰা।
- অক্ষমতাযুক্ত শিশুসকলৰ বিশেষ দুৰ্বলতাসমূহ চিনাক্ত কৰা আৰু আন শিশুসকলৰ এই শিশুসকলকো বিচাৰ কৰাটো নিশ্চিত কৰা।
- অক্ষমতাযুক্ত বয়স্ক ব্যক্তি, যিসকল ঘৰতে আবদ্ধ হৈ থাকে, যিসকল পৰিত্যক্ত আৰু পৃথকীকৃত বা কোনো অনুষ্ঠানত আৰু যাক বিশেষ সাহায্যৰ প্ৰয়োজন সেইসকলক সক্ৰিয় কৰিবৰ বাবে হস্তক্ষেপকৰণৰ নিৰ্দেশ দান।
- অক্ষমতাযুক্ত ব্যক্তি সক্ৰিয় অংশগ্ৰহণৰে অক্ষমতা সম্পৰ্কীয় নীতি আৰু আইন গ্ৰহণত সহায় কৰিবৰ বাবে ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক অক্ষমতা অধিকাৰ কৰ্তৃপক্ষ স্থাপন কৰা। অক্ষমতা যুক্ত ব্যক্তিসকলৰ ক্ষেত্ৰত দেখা পোৱা বৈষম্যবোৰ নাইকিয়া কৰা আৰু এই আইনৰ দ্বাৰা প্ৰদান কৰা সকলো অধিকাৰৰ সংৰক্ষণ, উন্নতকৰণ আৰু উপভোগৰ বাবে এই আইনত অন্তৰ্ভুক্ত নীতি-নিয়মবোৰ সমূহ নিশ্চিত কৰা।
- ভুল কাৰ্যপন্থা আৰু ইয়াৰ ব্যতিক্ৰমসমূহৰ ক্ষেত্ৰত আইন সংক্ৰান্ত ব্যৱস্থা সমূহ বিশেষভাৱে নিৰ্ধাৰণ কৰা।

## 8.5. সংক্ষেপে জানি থওঁ আহক

আমি সকলোৱে জানো যে প্ৰতিটো শিশুৰেই অনেক চাহিদাযুক্ত হৈ এটি পৰিয়াললৈ আহে। এই চাহিদাসমূহৰ ভিতৰত ভাল পোৱা বা মৰম কৰা, প্ৰতিপালন, সাজ-পোছাক কৰোৱা, শিক্ষা লাভ কৰা ইত্যাদি বিশেষভাৱে উল্লেখনীয় এটি বিশেষ চাহিদাযুক্ত শিশু এটি হৈছে এনে এটি শিশু, যাক চিকিৎসা সংক্ৰান্তীয় বা বিকাশমূলক অসুবিধাৰ পৰিপ্ৰেক্ষিতত তেওঁ সমবয়সীয়া আন শিশুতকৈ কিছুমান বিশেষ চাহিদাৰ সন্মুখীন হয়। এই বিশেষ চাহিদাসমূহ সাধাৰণৰ পৰা গুৰুতৰ বিধৰ হ'ব পাৰে। অধিক সংখ্যক এই বিশেষ চাহিদা সম্পন্ন শিশুকেই চিকিৎসা এই ক্ষেত্ৰত গ্ৰহণ কৰা বিভিন্ন আঁচনিৰ আৰু সেৱাসমূহৰ দ্বাৰা লাভান্বিত হয়।

এই শিশুসকলৰ চাহিদাসমূহ পৰিপূৰণৰ ক্ষেত্ৰত শিক্ষকসকলে বিশেষ ভূমিকা গ্ৰহণ কৰে। অক্ষমতা আইন, ১৯৯৫ আৰু UNCRPD অধিকাৰসমূহৰ শিক্ষকে পিতৃ-মাতৃ আৰু অন্যান্য অংশীদাৰসমূহৰ আগত ব্যাখ্যা কৰিব লাগে। CWSNৰ লগত কাম কাজ কৰাটো শিক্ষকৰ বাবে এক অতি জটিল বিষয়। শিক্ষকে প্ৰত্যেক অক্ষমতাৰ অৰ্থ সম্পৰ্কে জ্ঞাত হ'ব লাগিব। তেওঁ শিশুৰ অক্ষমতাসমূহ চিনাক্ত কৰি বিভিন্ন শ্ৰেণী মুক্ত কৰিব লাগিব। ইয়াৰ পিছত তেওঁ শিশুটিক সম্পৰ্কে কাৰ্যব্যৱস্থা গ্ৰহণৰ বাবে বিশেষজ্ঞৰ ওচৰলৈ প্ৰেৰণ কৰিব লাগে। বিশেষজ্ঞৰ পৰামৰ্শৰ ওপৰত ভিত্তি কৰি শিক্ষক, অভিভাৱক আৰু বিশেষ সকলোৰে যৌথ প্ৰচেষ্টাৰে হস্তক্ষেপ কৰণৰ পৰিকল্পনা যুগুত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে।



টোকা

## 8.6. অগ্ৰগতিৰ পৰীক্ষাৰ উত্তৰসমূহ ঃ

**আপোনাৰ অগ্ৰগতি পৰীক্ষা কৰক- 1**

1. প্ৰতীক্ষাৰত শিশু
2. 20/200
3. ভাষা
4. দৃষ্টি সম্পৰ্কীয় বিকলতা

**আপোনাৰ অগ্ৰগতি পৰীক্ষা কৰক- 2**

1. UNCRPD : United Nations Conventions on the Rights of Persons with Disabilities
2. PWD Act : Person with disability Act.
3. কেন্দ্ৰীয় ঃ প্ৰতিৰক্ষা
4. যুটীয়া ঃ স্বাস্থ্য
5. State ঃ বিকলতা

## 8.7 অনুমোদিত গ্ৰন্থ আৰু প্ৰসংগপুথি ঃ

**RaoIndumathi ; *A Text book onInclusive Education*(2003), CBR Network, Bangalore**

**RaoIndumathi ; *ABC of CBR* (2010),CBR Network, Bangalore**

http://rehabcouncil.nic.in

http://trace.wisc.edu

http://en.wikipedia.org

Appendix 1

The following questionnaires could be used by teachers for preliminary assessment

FORM # 4

6 বছৰ বয়সৰ পৰা 14 বছৰ বয়সলৈ ঃ

| গাঁৱৰ নাম | ঘৰৰ নম্বৰ | ল'ৰা-ছোৱালীৰ সংখ্যা |
|---|---|---|
| (ক) শিশুৰ নাম ঃ | | |
| (খ) বয়স ঃ | | |
| (গ) পিতাৰ নাম ঃ | | |
| (ঘ) মাতৃৰ নাম ঃ | | |



টোকা

| **তলৰ শুদ্ধ উত্তৰসমূহৰ বিপৰীতে (✓) চিহ্ন প্ৰদান কৰক।** | | | |
|---|---|---|---|
| 1. নিৰ্ধাৰিত দিনৰ আগতে শিশুটিৰ জন্ম বা প্ৰসৱ হৈছিল নেকি? | হয় | নহয় | নাজানো |
| 2. বাক ক্ষমতাৰ বিকাশত দেৰি হৈছিল নেকি? | হয় | নহয় | নাজানো |
| 3. একে বয়সৰ আন শিশুৰ তুলনাত শিশুটিৰ তলৰ দিশসমূহৰ ক্ষেত্ৰত বিকাশ লেহেমীয়া বা দেৰি হৈছিল নেকি? | হয় | নহয় | নাজানো |
| 4. শিশুটিয়ে ভালকৈ দৌৰিব পাৰে নে? | হয় | নহয় | নাজানো |
| 5. শিশুটিৰ কথা কোৱাৰ পৰিবৰ্তে আকাৰ -ইংগিত ব্যৱহাৰ কৰে নেকি? | | | |
| 6. পাঠ পঢ়া বা দৈনন্দিন কাম কাজত দৰ্শনজনিত সমস্যাত ভোগে নেকি? | হয় | নহয় | নাজানো |
| 7. তেওঁৰ লগত হোৱা কথা-বাৰ্তাবোৰ বুজিবলৈ অসুবিধাজনক নেকি? | হয় | নহয় | নাজানো |
| 8. শিশুটিৰ শুনাত কিবা অসুবিধা আছে নেকি? | হয় | নহয় | নাজানো |
| 9. একে বয়সৰ আন শিশুৰ তুলনাত শিশুটিৰ বুজাত, মনত ৰখাত বা আন কাৰ্য সম্পাদনত অসুবিধা আছে নেকি? | হয় | নহয় | নাজানো |
| 10. শিশুটিয়ে আনৰ লগত ভালদৰে মিলা মিছা কৰিব পাৰে নে? | হয় | নহয় | নাজানো |
| 11. শিশুটিৰ কিবা শাৰীৰিক অক্ষমতা আছে নেকি? | হয় | নহয় | নাজানো |
| 12. আছে আপোনাৰ শিশুটিৰ কথা সমূহ বুজাত অসুবিধা পায় নেকি? | হয় | নহয় | নাজানো |
| 13. আপোনাৰ পৰিয়ালৰ বাহিৰৰ কোনো লোকে আপোনাৰ শিশুটিৰ কথা-বাৰ্তা বুজাত অসুবিধা হয় নেকি? | হয় | নহয় | নাজানো |
| 14. শিশুটিয়ে কথা কৈছেনে? (ফৰ্মখন পূৰোৱাসকলৰ বাবে) | হয় | নহয় | নাজানো |
| 15. তেওঁলোকে তথ্য প্ৰদানৰ ক্ষেত্ৰত আপত্তি কৰিছে নেকি? | হয় | নহয় | নাজানো |
| 16. পৰিয়ালৰ লোকসকলে তথ্যসমূহ প্ৰদান কৰি একো লাভ নহ'ব বুলি ভাবিছে নেকি? | হয় | নহয় | নাজানো |
| মনত ৰাখিব ঃ<br>ওপৰৰ চমু ৰেকৰ্ডৰ কেৱল মাত্ৰ যিকোনো এটা বাকচটো যদি হয় বা (✓) চিহ্ন দিয়া হৈছে তেন্তে তলৰ বিশদভাৱে প্ৰস্তুত কৰা ফৰ্মখন পূৰণ কৰিব লাগে। | | | |

| অক্ষমতা চিনাক্তকৰণৰ বাবে বিশদ ফৰ্ম (6 বছৰ বয়সৰ পৰা 14 বছৰ বয়সলৈ) | | |
|---|---|---|
| **গাঁৱৰ নাম** | **ঘৰৰ নম্বৰ** | **ল'ৰা-ছোৱালীৰ সংখ্যা** |
| (ক) শিশুৰ নাম ঃ | | |
| (খ) বয়স ঃ | | |
| (গ) পিতাৰ নাম ঃ | | |
| (ঘ) মাতৃৰ নাম ঃ | | |


টোকা

**তলৰ শুদ্ধ উত্তৰসমূহৰ বিপৰীতে (✓) চিহ্ন প্ৰদান কৰক।**

| | | | |
|---|---|---|---|
| 1. আন শিশুৰ তুলনাত আপোনাৰ শিশুটিয়ে খোজকঢ়াত অসুবিধা পায় নেকি? | হয় | নহয় | নাজানো |
| 2. শিশুটিয়ে সহায় নোহোৱাকৈ বহিব পাৰেনে? | হয় | নহয় | নাজানো |
| 3. শিশুটিয়ে গা-ধোৱা, খোৱা আদি দৈনন্দিন কামকাজ সমূহ নিজে আনৰ সহায় নোলোৱাকৈ কৰিব পাৰে নে? | হয় | নহয় | নাজানো |
| 4. শিশুটিয়ে কোৱা কথা আৰু তেওঁক দিয়া নিৰ্দেশনাসমূহ বুজিব পাৰে নে? | হয় | নহয় | নাজানো |
| 5. শিশুটিৰ কোনো দৰ্শন সম্পৰ্কীয় সমস্যা আছে নেকি? | হয় | নহয় | নাজানো |
| 6. শিশুটিয়ে ১০ফুট আঁতৰত ৰখা হাতৰ আঙুলিসমূহ গণনা কৰিব পাৰেনে? | হয় | নহয় | নাজানো |
| 7. শিশুটিয়ে ৫ফুট আঁতৰত ৰখা হাতৰ আঙুলিসমূহ গণনা কৰিব পাৰেনে? | হয় | নহয় | নাজানো |
| 8. শিশুটিয়ে টেবুলত থকা কিতাপৰ আঙুলিসমূহ গণনা কৰিব পাৰে নে? | হয় | নহয় | নাজানো |
| 9. শিশুটিৰ কোনো শ্ৰৱণ সমস্যা আছে নেকি? | হয় | নহয় | নাজানো |
| 10. শিশুটিয়ে ১০ফুটমান দূৰত্বত পিছফালৰ পৰা নাম ধৰি মাতিলে সঁহাৰি দিয়েনে? | হয় | নহয় | নাজানো |
| 11. শিশুটিয়ে পিছফালৰ পৰা ৫ফুটমান দূৰত্বত মাতিলে সঁহাৰি দিয়েনে? | হয় | নহয় | নাজানো |
| 12. শিশুটিয়ে স্পষ্টভাৱে কথা-বাৰ্তা পাতিব পাৰেনে? | হয় | নহয় | নাজানো |
| 13. আন ব্যক্তিয়ে শিশুৰ কথাবোৰ বুজাত অসুবিধা হয় নেকি? | হয় | নহয় | নাজানো |
| 14. শিশুটি মাজে মাজে অচেতন হয় নেকি? | হয় | নহয় | নাজানো |
| যদি হয়- | | | |
| **● শিশুটি এবাৰ অচেতন হৈছিল** | | | |
| (ক) সদায় | হয় | নহয় | নাজানো |
| (খ) সপ্তাহত এদিন | হয় | নহয় | নাজানো |
| (গ) মাহত এদিন | হয় | নহয় | নাজানো |
| (ঘ) ছমাহত এদিন | হয় | নহয় | নাজানো |
| (ঙ) শিশুটিয়ে কোনো ঔষধ গ্ৰহণ কৰিছে নেকি? | হয় | নহয় | নাজানো |
| (চ) শিশুটিক ডাক্তৰে পৰীক্ষা কৰিছেনে? | হয় | নহয় | নাজানো |
| 15. সূক্ষ্ম কাম কৰোঁতে শিশুটিৰ হাতৰ পৰা বস্তু পিচলি পৰি যায় নেকি? | হয় | নহয় | নাজানো |

টোকা

| | | | |
|---|---|---|---|
| 16. নাকৰ পৰা পানী ওলাই থাকোঁতে শিশুটি নিৰ্বিকাৰ হৈ বহি থাকে নেকি? | হয় | নহয় | নাজানো |
| 17. একে বয়সৰ আন শিশুসকলৰ তুলনাত শিশুটি কম বুদ্ধিৰ যেন লাগে নেকি? | হয় | নহয় | নাজানো |
| 18. শিশুটিয়ে বিভিন্ন কাম-কাজ কৰোঁতে সদায় বিষণ্ণ হৈ থাকে নেকি? | হয় | নহয় | নাজানো |
| 19. একে বয়সৰ আন শিশুসকলৰ তুলনাত শিশুটিয়ে কোনো কামত মনোনিৱেশ কৰাত অসুবিধা পায় নেকি? | হয় | নহয় | নাজানো |
| 20. একে বয়সৰ আন শিশুসকলৰ তুলনাত শিশুটিয়ে বেছি দুষ্টামি কৰে নেকি? | হয় | নহয় | নাজানো |
| 21. শিশুটিয়ে নিজৰ বয়সৰ ল'ৰা-ছোৱালীৰ পৰিৱৰ্তে নিজৰ বয়সতকৈ সৰু ল'ৰা-ছোৱালীৰ লগত মিলা-মিছা কৰি ভাল পায় নেকি? | হয় | নহয় | নাজানো |
| 22. শিশুটিয়ে জুই, পানী আদি বিপদজনক বুলি জানেনে? | হয় | নহয় | নাজানো |
| 23. শিশুটিয়ে নিজৰ নাম ক'ব পাৰেনে? | হয় | নহয় | নাজানো |
| 24. শিশুটিৰ চকুৰ পৰা পানী ওলাই থাকে নেকি? | হয় | নহয় | নাজানো |
| 25. শিশুটিয়ে সঘনে চকু মোহাৰি থাকে নেকি? | হয় | নহয় | নাজানো |
| 26. পঢ়া, লিখা আৰু চোৱাৰ ক্ষেত্ৰত শিশুটিৰ দৃষ্টিশক্তিৰ কিবা গুৰুত্বপূৰ্ণ সমস্যা আছে নেকি? | হয় | নহয় | নাজানো |
| 27. শিশুটিয়ে আনৰ সহায় নোহোৱাকৈ কোজকাঢ়িব পাৰেনে? | হয় | নহয় | নাজানো |
| 28. শিশুটিয়ে বিদ্যালয়ত দৌৰা বা ব্যায়াম কৰাত কিবা অসুবিধা পায় নেকি? | হয় | নহয় | নাজানো |
| 29. আনৰ তুলনাত শিশুটি পঢ়া-শুনা বা খেলা-ধূলাত পিছ পৰা নেকি? | হয় | নহয় | নাজানো |
| 30. একে বয়সৰ আন ল'ৰা-ছোৱালীৰ দৰেই শিশুটিয়ে নিজৰ কিতাপ আৰু আন সামগ্ৰীসমূহ সাৱধানতাৰে ৰাখিব পাৰে নে? | হয় | নহয় | নাজানো |
| 31. এনে বয়সৰ আন শিশুসকলৰ তুলনাত শিশুটিয়ে কামবোৰ লাহে লাহে কৰে নেকি? | হয় | নহয় | নাজানো |
| 32. শিশুটিয়ে কাণৰ বিষত ভোগে নেকি? | হয় | নহয় | নাজানো |
| 33. শিশুটিৰ কাণৰ পৰা পানী ওলাও নেকি? | হয় | নহয় | নাজানো |
| 34. শিশুটিয়ে কোনো গল্প কোৱাত বা অংক কৰাত অসুবিধা পাই নেকি? | হয় | নহয় | নাজানো |



টোকা

| | | | |
|---|---|---|---|
| 35. কোনো কথা শুনোতে শিশুটি সম্পূৰ্ণ ঘূৰি লয় নেকি? | হয় | নহয় | নাজানো |
| 36. শিশুটিয়ে সঘনে নিজকে আঘাত কৰে নেকি? | হয় | নহয় | নাজানো |
| 37. তেওঁক কোনো কথা কওঁতে অহৰহ কোনো শব্দ কৰি থাকে নেকি? | হয় | নহয় | নাজানো |
| 38. শিশুটিয়ে চচ্‌মা পিন্ধে নেকি? | হয় | নহয় | নাজানো |
| 39. শিশুটিয়ে শুণাত সাহায্যকাৰী যন্ত্ৰ ব্যৱহাৰ কৰে নেকি? | হয় | নহয় | নাজানো |
| 40. শিশুটিৰ শুনাৰ ক্ষেত্ৰত কিবা সাধাৰণ সমস্যা আছে নেকি? | হয় | নহয় | নাজানো |
| 41. শিশুটি শ্ৰৱণ সংক্ৰান্ত গুৰুতৰ সমস্যা আছে নেকি? | হয় | নহয় | নাজানো |
| 42. শিশুটিৰ এটা ভৰিৰ কোনো অসুবিধা আছে নেকি? | হয় | নহয় | নাজানো |
| 43. শিশুটিৰ দুয়োটা ভৰিৰ কিবা সমস্যা আছে নেকি? | হয় | নহয় | নাজানো |
| 44. শিশুটিয়ে ভালদৰে খোজকাঢ়িব নোৱাৰে নেকি? | হয় | নহয় | নাজানো |
| 45. শিশুটিৰ দুয়োখন হাততে কিবা সমস্যা আছে নেকি? | হয় | নহয় | নাজানো |
| 46. একে বয়সৰ আন শিশুৰ তুলনাত শিশুটিৰ লিখাৰ ক্ষেত্ৰত বিশেষ অসুবিধা আছে নেকি? | হয় | নহয় | নাজানো |
| 47. শিশুটিৰ আন কোনো সমস্যা আছে নেকি? | হয় | নহয় | নাজানো |

## 8.8. গোটৰ শেষৰ অনুশীলনী

- পি ডব্লিউ আইনৰ, 1995 চনৰ, মূল দিশসমূহৰ এখন তালিকা প্ৰস্তুত কৰা।
- সকলো বিকলতা আৰু ইয়াৰ সম্ভাব্য কাৰণসমূহৰ এখন তালিকা প্ৰস্তুত কৰা।

******